মূল্য ঃ বিশ টকা

# বিবেক ভাস্কৰ

ৰামকৃষ্ণ মিছন গুৱাহাটীৰ দ্বাৰা প্ৰকাশিত প্ৰথম ত্ৰৈমাসিক অসমীয়া পত্ৰিকা

Vol. 6 • Number 3 • October 2019 • ISSN : 2348-8328



আহিন ১৯৪১ শকাব্দ ❖ ষষ্ঠ বৰ্ষ ❖ তৃতীয় সংখ্যা




Janasanyog/170/19

# বিবেক ভাস্কৰ

**ৰামকৃষ্ণ মিছনৰ দ্বাৰা প্ৰকাশিত প্ৰথম ত্ৰৈমাসিক অসমীয়া পত্ৰিকা**

আহিন ১৯৪১ শকাব্দ ▸ ষষ্ঠ বৰ্ষ ▸ তৃতীয় সংখ্যা

যুটীয়া সম্পাদক

**ডাঃ ভবেশ কুমাৰ দাস**

**ব্ৰহ্মচাৰী কৰুণাচৈতন্য**

ব্যৱস্থাপক সম্পাদক

**স্বামী আত্মশুদ্ধানন্দ**

**ৰামকৃষ্ণ মিছন আশ্ৰম**

**ৰামকৃষ্ণ মিছন পথ, উলুবাৰী, গুৱাহাটী-৭৮১ ০০৭, অসম**

**দূৰভাষ ঃ ০৩৬১-২১৩৪২৮১**

E-mail: vivekbhaskarghy@gmail.com

Website: www.rkmguwahati.org

ISSN: 2348-8328



# বিবেক ভাস্কৰ বিশেষ সংখ্যা

## এটি গুৰুত্বপূৰ্ণ জাননী

১৮৯৩ চনৰ চেপ্তেম্বৰ মাহত অনুষ্ঠিত হোৱা চিকাগো বিশ্বধৰ্মমহাসভাত স্বামী বিবেকানন্দই যুগান্তকাৰী বক্তৃতাসমূহৰ জৰিয়তে বিশ্বমঞ্চত আমাৰ মাতৃভূমিৰ লুপ্ত গৌৰৱ আৰু শ্ৰেষ্ঠত্ব পুনৰ সংস্থাপন কৰিছিল। সেই ঐতিহাসিক ঘটনাৰ ১২৫ তম্ বৰ্ষ উদ্‌যাপনৰ অঙ্গ হিচাপে 'বিবেক ভাস্কৰ'ৰ এখন বিশেষ সংখ্যা উলিওৱাৰ সিদ্ধান্ত লোৱা হৈছে। বিশিষ্ট লেখকসকলৰ তথ্য আৰু তত্ত্বপূৰ্ণ লেখাৰে সমৃদ্ধ বিশেষ সংখ্যাটো সংগ্ৰহ কৰাৰ সুযোগ লওঁক।

## এটি বাছকবনীয়া উপহাৰ



*"...ভাৰতীয়গণ যিমানেই তেওঁলোকৰ অতীতক লৈ আলোচনা কৰিব, তেওঁলোকৰ ভৱিষ্যত সিমানেই গৌৰৱময় হ'ব; আৰু যিজনে এই অতীতক প্ৰত্যেকৰে সমুখলৈ দাঙি ধৰিবলৈ চেষ্টা কৰি আছে, তেওঁৰেই মাতৃভূমিৰ পৰম হিতকাৰী।" — স্বামী বিবেকানন্দ*

**আহক, আপোনাৰ বন্ধু-বান্ধৱ, প্ৰিয়জন, বিদ্যালয়, মহাবিদ্যালয়, ৰাজহুৱা পুথিভঁৰাল বা আন প্ৰতিষ্ঠানবোৰক 'বিবেক ভাস্কৰ' উপহাৰ দিয়ক।**

আপোনাৰ এই মূল্যৱান উপহাৰটিয়ে সমূহ অসমবাসী বিশেষকৈ নৱপ্ৰজন্মক ঐতিহ্যময় ভাৰতবৰ্ষৰ সনাতন আদৰ্শ, বিশ্বপৰিবৰ্তনকাৰী চিন্তাৰাশি আৰু আমাৰ মহাপুৰুষসকলৰ বাণী বিয়পাই দি মূল্যবোধ আৰু নৈতিক চৰিত্ৰ গঠনত সহায় কৰাৰ লগতে সুস্থ-সচেতন সমাজ গঢ়াত অৰিহণা যোগাব।

উপহাৰ দিওঁতাসকল আৰু তেওঁলোকে তালিকাভুক্ত কৰা প্ৰতিষ্ঠানবোৰৰ নাম '**বিবেক ভাস্কৰ**'ত প্ৰকাশিত কৰা হ'ব।

**গ্ৰাহকভুক্তি বা পুনৰ নৱীকৰণৰ বাবে নাম, ঠিকনা, ফোন নম্বৰ আৰু ই-মেইল আই. ডি. তলৰ ঠিকনালৈ লিখি পঠাওক**

যুটীয়া সম্পাদক, '**বিবেক ভাস্কৰ**' পত্ৰিকা

**ৰামকৃষ্ণ মিছন আশ্ৰম, ৰামকৃষ্ণ মিছন পথ, উলুবাৰী, গুৱাহাটী-৭৮১ ০০৭**

**Online** ত গ্ৰাহকভুক্তিৰ বাবে লগ অন কৰক - www.rkmguwahati.org

এবছৰৰ গ্ৰাহক মূল্য ৭০ টকা (কাৰ্য্যালয়ৰ পৰা সংগ্ৰহ কৰিলে)
ডাকযোগে ঘৰত পাবলৈ হ'লে ঃ
এবছৰৰ গ্ৰাহক মূল্য ১৩০ টকা
পাঁচ বছৰৰ গ্ৰাহক মূল্য ৫০০ টকা
আজীৱন গ্ৰাহক মূল্য ২,০০০ টকা (পোন্ধৰ বছৰৰ পিছত নৱীকৰণ সাপেক্ষ)
পৃষ্ঠপোষকসকলৰ বাবে গ্ৰাহকমূল্য ৫,০০০ টকা (আজীৱন)
বিদেশৰ এবছৰৰ গ্ৰাহক মূল্য ১,৫০০ টকা

*বিবেক ভাস্কৰলৈ দিয়া সকলো দান-বৰঙণি আয়কৰ বিভাগৰ ইউ/এছ ৮০ জি ১৯৬১ আয়কৰ ধাৰা মতে আয়কৰ মুক্ত*



# প্ৰজ্ঞাৰ আলোক

**নীতিজ্ঞা নিয়তিজ্ঞা বেদজ্ঞা অপি ভৱন্তি শাস্ত্ৰজ্ঞাঃ**
**ব্ৰহ্মজ্ঞা অপি লভ্যাঃ স্বাজ্ঞানজ্ঞানিনো বিৰলাঃ।।**

(নীলকণ্ঠ দীক্ষিত বৈৰাগ্যশতকম্ - ২৬)

নৈতিকতা, ভাগ্য, বেদসমূহ, বিভিন্ন বিজ্ঞান বা শাস্ত্ৰত জ্ঞানী মানুহ বহুত পোৱা যায়, ব্ৰহ্মজ্ঞানীও পোৱা যায়। কিন্তু নিজৰ অজ্ঞতা সম্পৰ্কে অৱগত মানুহ সঁচাকৈয়ে অতি বিৰল।

**বিদ্যা ত্বমেৱ ননু বুদ্ধিমতাং নৰাণাং, শক্তিস্ত্বমেৱ কিল শক্তিমতাং সদৈৱ।**
**ত্বং কীৰ্তি-কান্তি-কমলামল-তুষ্টিৰূপা, মুক্তিপ্ৰদা বিৰতিৰেৱ মনুষ্যলোকে।।**
**এাতা ত্বমেৱ মম মোহময়াদ্ভৱাব্ধোস্ত্বামম্বিকে সততামেমি মহাৰ্তিদে চ**
**ৰাগাদিভিৰ্বিৰচিতে বিতথে কিলান্তে, মামেৱ পাহি বহুদুঃখকৰে চ কালে।।**

(দেৱীভাগৱতম্ ৩/৪/৪৪,৪৮)

বুদ্ধিমান মানুহৰ বিদ্যা তুমিয়েই, শক্তিমান জীৱৰ শক্তিস্বৰূপা তুমিয়েই। তুমিয়েই কীৰ্তি, কান্তি, কমলা আৰু নিৰ্মল তুষ্টিস্বৰূপা। এই পৃথিৱীত তুমিয়েই মুক্তিদায়ী বৈৰাগ্য।

হে মহাবিপদনাশিনী! মই তোমাৰ শৰণাপন্ন হৈছো। মোক এই মোহময় ভৱসাগৰৰ পৰা ৰক্ষা কৰা। ৰাগ-দ্বেষ আদিৰ ফলস্বৰূপ জীৱনৰ যি কষ্ট আৰু দুঃখ হয়, তাৰ পৰা অন্তিমকালত তুমিয়েই মোক ৰক্ষা কৰিবা— এই প্ৰাৰ্থনা কৰিছোঁ।

# সূচীপত্ৰ




প্ৰজ্ঞাৰ আলোক/১৫৯

দিব্যবাণী/১৬০

**সম্পাদকীয়** ঃ শক্তি আৰু উপাসনা / ১৬২

**পূজা-তত্ত্ব** ঃ দুৰ্গাপূজা-অনুষ্ঠানৰ ভাবাৰ্থ / স্বামী দিব্যানন্দ / ১৬৫

**পূজাৰ ইতিবৃত্ত** ঃ ৰজাঘৰীয়া দুৰ্গাপূজা / জিতেন্দ্ৰজিৎ দাস / ১৭৫

**যুগ-পুৰুষ** ঃ বিবেকানন্দ এক, প্ৰতিভা অনেক / নীলদীপ চক্ৰৱৰ্ত্তী / ১৭৯

**দাৰ্শনিক বিচাৰ** ঃ শংকৰদেৱৰ ধৰ্মীয় দৰ্শন / ড° শৈলেন ভৰালী / ১৮৪

**জীৱন-চেতনা** ঃ জীৱন জয়ৰ মন্ত্ৰ— উৎসাহ / স্বামী ওজোময়ানন্দ / ১৮৮

**সাধনাৰ ধাৰা** ঃ কাজী নজৰুলৰ বহুমুখী সাধনা / গীতশ্ৰী তৰফদাৰ দে / ১৯৪

**সমাজ গঠন** ঃ সামাজিক দৃষ্টিকোণ, পৰিৱৰ্তন আৰু অধ্যয়ন— এক আলোচনা / ড° উৎপল শৰ্মা / ১৯৭

**ধাৰাবাহিক ৰচনা** ঃ স্বামীজীৰ আহ্বান / ভাবানুবাদ ঃ মঞ্জুলা সৰকাৰ / ২০০

**ধাৰাবাহিক ৰচনা** ঃ উপমা শ্ৰীৰামকৃষ্ণস্য / মন্মথ ডেকা / ২০৭

**প্ৰচ্ছদ পৰিচিতি** / ২০৮

**বহুমুখী প্ৰতিভা** ঃ কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা / কবিতা বোস / ২০৯

**জীৱনৰ সাধু** ঃ সুন্দৰ মন / ডাঃ ভবেশ কুমাৰ দাস / ২১২

**কিশলয়** ঃ মহাভাৰতৰ গল্প / স্বামী ৰাঘবেশানন্দ / ২১৬

**চিত্ৰে কিশলয়** ঃ জননী পাৰ্বতী আৰু পুত্ৰ গণেশ /২১৯

**আশ্ৰম সংবাদ** ঃ গুৱাহাটী আশ্ৰমৰ সংবাদ/২২৩

শক্তিক মাতৃৰূপত পূজা কৰাটো বিশ্বাসৰ ওপৰত ভিত্তি কৰি আৰম্ভ হ'লেও, বহুত পিছত, বৈদিক যুগত তাৰ সত্যতা প্ৰমাণিত হয়। অম্ভৃণ ঋষিৰ কন্যা 'বাক' বেদমুখে নিজে অনুভূতি ঘোষণা কৰিছে—

"অহং ৰাষ্ট্ৰী সংগমনী বসূনাং চিকিতুষী প্ৰথমা যজ্ঞিয়ানাম্।
তাং মা দেবা ব্যদধুঃ পুৰুত্ৰা ভূৰিস্থাত্ৰাং ভূৰ্যাবেশয়ন্তীম্।।"

(দেৱীসূক্তম্-৩, ঋগ্বেদ সংহিতা ১০/৮/১২৫)

— "মই সমগ্ৰ জগতৰ ঈশ্বৰী, উপাসকগণৰ ধনদাত্ৰী, পৰব্ৰহ্মক আত্মাৰ পৰা অভিন্নৰূপত সাক্ষাৎকাৰিণী। সেয়ে যিসকলে যজ্ঞ পোৱাৰ যোগ্য, তেওঁলোকৰ ভিতৰত মই সৰ্বশ্ৰেষ্ঠা। মই জগতপ্ৰপঞ্চ ৰূপত বহুভাবে অৱস্থিতা আৰু সৰ্বভূতে জীৱৰূপে প্ৰবিষ্টা। মোকেই সৰ্বদেশত দেৱতা আৰু মনুষ্যাদি যজমানগণ বিবিধভাবে আৰাধনা কৰে।"

সভ্যতাৰ অগ্ৰগতিৰ সৈতে মানুহৰ ঈশ্বৰ সম্পৰ্কে ধাৰণাও ক্ৰমশঃ উন্নত হয়। বৈদিক ঋষিৰ অনুভূত সত্য পৰৱৰ্তীকালত বিভিন্ন ভাৰতীয় দাৰ্শনিক তত্ত্বৰে পুষ্টি লাভ কৰে। সাংখ্যদৰ্শন আৰু বেদান্তদৰ্শন এই ক্ষেত্ৰত বিশেষভাৱে উল্লেখযোগ্য। কিন্তু সাধাৰণ মানুহে যেতিয়া সেই চৰম সত্যক অনুভৱ কৰিব বিচাৰে তেতিয়া সৃষ্টি হয় তত্ত্বৰ প্ৰায়োগিক ৰূপ, মানুহৰ উপযোগী শাস্ত্ৰ। সেয়েহে সাংখ্যদৰ্শন আৰু বেদান্তদৰ্শনৰ যথাৰ্থ সমন্বয়ৰে পৰৱৰ্ত্তীকালত উদ্ভৱ হয় তন্ত্ৰশাস্ত্ৰৰ। যিকোনো মানুহৰ উপাসনা বা সাধনাৰ বাবে উপযুক্ত এই তন্ত্ৰমতে মাতৃশক্তিৰ প্ৰতীক হ'ল দেৱী কালী। বেদান্তৰ 'ব্ৰহ্ম' আৰু 'মায়া', সাংখ্যৰ 'পুৰুষ' আৰু 'প্ৰকৃতি' ৰূপান্তৰিত হৈছে তন্ত্ৰৰ 'শিৱ' আৰু 'কালী'ত। উল্লেখযোগ্য যে, এই 'শিৱ' আৰু 'কালী'ৰ যি ভাৱ তাৰ লগত আধুনিক বিজ্ঞানৰ জড় পদাৰ্থ (matter) আৰু শক্তি (energy)ৰ ধাৰণাৰ বহুত সামঞ্জস্য আছে।

তন্ত্ৰৰ মূল লক্ষ্য হৈছে— যাৱতীয় দুৰ্বলতা, নিম্নাৱেগ, স্নায়ৱিক উত্তেজনা আৰু পাশৱিক প্ৰবৃত্তি যেনে কাম, ক্ৰোধ, মোহ, লোভ আদিক নিয়ন্ত্ৰণ কৰি কিদৰে উচ্চ চিন্তা আৰু আদৰ্শত পৰিণত কৰিব পাৰে, তাৰ কৌশল আয়ত্ত কৰা আৰু শেষত সেই শক্তিতত্ত্বৰ লগত নিজৰ একাত্মতা অনুভৱ কৰা। তন্ত্ৰই কয় কালী বা চিচ্ছক্তিক পূজা কৰা, তেওঁক সন্তুষ্ট কৰা; জগতৰ সকলোৰে ভিতৰত মাতৃৰূপী শক্তিক দৰ্শন কৰা, তেওঁৰ শৰণাগত হোৱা। শ্ৰীৰামকৃষ্ণ পৰমহংসদেৱৰ মাজত বিৰাজ কৰিছিল এনেকুৱা অনুভূতিৰ চৰম প্ৰকাশ। বিপথগামী বিনোদনকাৰী নাৰীৰ ভিতৰতো জগন্মাতাক দৰ্শন কৰি তেওঁ প্ৰণিপাত জনাইছিল। দক্ষিণেশ্বৰত পূজাৰত অৱস্থাত মেকুৰী এটাৰ আগমন হ'লত, তাৰ ভিতৰতে জগন্মাতাক প্ৰত্যক্ষ কৰি, তেওঁকেই আৰাধ্যা ভৱতাৰিণী দেৱীৰ কাৰণে নিৰ্দিষ্ট নৈৱেদ্য খুৱাইছিল।

মাতৃয়ে সৰ্বদা কল্যাণকাৰী হয় আৰু সন্তানে সচৰাচৰ তেওঁক সৌম্য আৰু সুন্দৰ ৰূপত চাব বিচাৰে। গতিকে মনত প্ৰশ্ন জাগিব পাৰে কালীৰ ৰূপ ইমান ক'লা আৰু ভয়ঙ্কৰ কিয় হ'ল। প্ৰকৃততে, কেৱল ভাল, পুণ্য, সুখ আদিতেই নহয়; বেয়া, পাপ, দুঃখতো মাতৃশক্তি সমভাৱে বিৰাজিত। সেয়েহে কালীৰ এনেকুৱা কুৎসিৎ, বিকৰ্ষণকাৰী, উগ্ৰ, তাণ্ডৱ, ধ্বংসকাৰী ভাৱ। তেওঁ সেইবোৰৰ ভিতৰতো সুন্দৰক পূজা কৰিব শিকায় আনকি চৰম বিভীষিকাময় মৃত্যুকো দিব্যায়িত কৰে। স্বভাৱতে মা কালীৰ ৰূপে আমাৰ প্ৰচলিত

পূজা-তত্ত্ব



# দুৰ্গাপূজা-অনুষ্ঠানৰ ভাবাৰ্থ

**স্বামী দিব্যানন্দ**

সদস্য, ৰামকৃষ্ণ মঠ আৰু ৰামকৃষ্ণ মিছন অছি পৰিষদ আৰু সম্পাদক, ৰামকৃষ্ণ মিছন আশ্ৰম সাৰদাপীঠ

শুদ্ধ মনেৰে শুদ্ধ দেহেৰে নিষ্ঠা ভক্তিৰ সৈতে মন্ত্ৰ উচ্চাৰণৰ লগে লগে নানাবিধ সামগ্ৰীৰে বিভিন্ন দেৱ-দেৱীৰ প্ৰতিমাত তেওঁলোকৰ জীৱন্ত উপস্থিতি কল্পনা কৰি পৰম আত্মীয়ৰ দৰে আপ্যায়ন কৰাটোকে সাধাৰণতে পূজা বুলি কোৱা হয়।

পূজাত অনুষ্ঠিত নানাবিধ কাৰ্য্যকলাপৰ দুটা ৰূপ— বাহ্যিক আৰু আন্তৰিক। আন্তৰিক ৰূপটো হ'ল আৰাধ্য দেৱতা অথবা দেৱীৰ ওচৰত উপাসকৰ সম্পূৰ্ণ আত্মনিবেদন। বাহ্যিক অনুষ্ঠানবিলাক আন্তৰিক ৰূপৰেই নানাভাবে বৰ্ণনা কৰা ৰূপক মাথোঁ।

পূজাৰ উদ্দেশ্য হ'ল পূজ্যৰ সৈতে ঐক্য স্থাপনৰ বাবে পূজকৰ প্ৰচেষ্টা। সংসাৰৰ নানা কামনা-বাসনা, লোভ, হিংসা, মোহ আদিয়ে মানুহৰ মন কলুষিত, অপৱিত্ৰ কৰে। শ্ৰীৰামকৃষ্ণদেৱৰ কথাৰে, 'কাজলৰ ঘৰত যিমানেই সতৰ্ক নাথাকক কিয় কাজল লাগিবই'। তেনে অশুদ্ধ, অপৱিত্ৰ মনেৰে ঈশ্বৰৰ আৰাধনা কেতিয়াও নহয়। যি মন্দিৰত মাধৱ নাই— আছে এগাৰোটা বাদুলিৰ সদায় উৎপাত তাত সন্ধিয়াৰ এন্ধাৰত শংখ বজালে কি হ'ব? পূজা, জপধ্যান, স্তৱ পাঠ, ভজন-কীৰ্তন কৰাৰ একমাত্ৰ উদ্দেশ্যই হ'ল— মনক পৱিত্ৰ কৰা। ঈশ্বৰক আৰাধনা কৰি দেহ-মন শুদ্ধ আৰু পৱিত্ৰ হ'লত ঈশ্বৰৰ উপলব্ধি হোৱা সম্ভৱ হয়।

পূজা শব্দটোক দুই ভাগত ভাগ কৰা যায়— পূ আৰু জা। 'পূ'ৰ অৰ্থ পৱিত্ৰতা আৰু পৱিত্ৰতা যাতে আহে এনেকুৱা কামকেই পূজা বোলা হয়। পূজা পদ্ধতিত বাৰে বাৰে শুদ্ধিকৰণ অথবা পৱিত্ৰতাৰ প্ৰয়োজনীয়তাৰ বিষয়ে চিন্তা কৰা হৈছে। মানুহ সাধাৰণতে শুদ্ধ, বুদ্ধ, মুক্ত স্বভাৱৰ কিন্তু সেয়া পাহৰি থাকে। সেয়েহে পৱিত্ৰ হৈ পূজা কৰিব লাগে আকৌ পূজা কৰিলে পৱিত্ৰতা লাভ হয়— এই কথাটোও সঁচা। পূজাৰ মন্ত্ৰত ভূত শুদ্ধিৰ কথা আছে। পুৰণি সংস্কাৰযুক্ত স্থুল শৰীৰ, সূক্ষ্ম শৰীৰ শুকাই যাওক, ভস্মীভূত হওঁক আদি প্ৰাৰ্থনাৰ পিছত দিব্য শৰীৰ গঠনৰ প্ৰাৰ্থনা কৰা হয়। কেইবাবাৰো এইদৰে অৰ্পণ (ন্যাস) কৰা হয়। অৰ্পণৰ (ন্যাস) অৰ্থও পূজাৰীৰ বিভিন্ন অঙ্গত দেৱতাৰ সেই সেই অঙ্গ স্থাপন কৰা। জীৱ অৰ্পণৰ (জীৱন্যাস) সময়ত পূজাৰীয়ে নিজৰ হৃদয়ত দেৱতাৰ প্ৰাণপ্ৰতিষ্ঠা কৰে আৰু 'সোহহং' (ময়েই তেওঁ) এই প্ৰাৰ্থনা কৰে। দেৱতাৰ পূজাৰ উদ্দেশ্যই হ'ল— নিজৰ অন্তৰত পৱিত্ৰতা অৰ্জন কৰি অন্তৰাত্মাক জগাই তোলা— মনুষ্যত্বৰ পৰা দেৱত্বলৈ উত্তৰণ। নিষ্ঠা আৰু ভক্তিভাৱে আনুষ্ঠানিক

পূজা কৰিব লাগে। সেয়েহে মানুহৰ অন্তৰৰ নিদ্ৰিত দেৱত্বক— হৃদয়ৰ ভিতৰৰ সুপ্ত জগজ্জননী মা দুৰ্গাক জাগ্ৰত কৰাৰ বাবে এই বোধন অনুষ্ঠানৰ মাজেৰে ভক্তই প্ৰাৰ্থনা কৰে— "জাগা দুৰ্গা, জাগা দশপ্ৰহৰণধাৰিণী।'

**ঘটস্থাপন**

ঘটস্থাপন প্ৰত্যেক প্ৰতিমা পূজাৰ প্ৰাথমিক আৰু আৱশ্যকীয় অঙ্গ। ইয়াৰ বাবে প্ৰয়োজন এটা তাম, পিতল অথবা মাটিৰ ঘট, মাটি, পানী, আমাৰ পল্লৱ, গোটা ফল (শীহ থকা ডাব), ফুলৰ মালা, সেন্দুৰ, নতুন কাপোৰ (গামোচা) ইত্যাদি। মন্ত্ৰ উচ্চাৰণৰ লগে লগে মাটিৰ ওপৰত ঘটটো স্থাপন কৰিব লাগে। ঘট কোনো দেৱতা অথবা দেৱীৰ মূৰ্তি নহয় — এইটো হ'ল ঈশ্বৰৰ নিৰাকাৰ অৱস্থাৰ প্ৰতীক। বহুত সময়ত প্ৰতিমাত পূজা কৰা সম্ভৱ নহ'লে অকল ঘট স্থাপন কৰিও পূজা কৰা যাব পাৰে।

এই ঘট স্থাপনৰ এটা বিশেষ তাৎপৰ্য্য আছে বুলি অনুমান হয়। শ্ৰীৰামকৃষ্ণদেৱে কৈছিল, "অনন্ত সমুদ্ৰ, জলৰো অৱধি নাই। তাৰ ভিতৰত যেন এটা ঘট ৰৈ আছে। তাৰ বাহিৰেও পানী, ভিতৰতেও পানী। জ্ঞানীয়ে দেখে— অন্তৰত আৰু বাহিৰত সেই একেই পৰমাত্মা বিৰাজিত। তেতিয়াহ'লে ঘটটো কি বাৰু? ঘটটো আছে কাৰণেহে পানীৰ দুটা ভাগ যেন লাগিছে, অন্তৰ আৰু বাহিৰ— এই বোধ হৈ আছে। এই ঘট হ'ল 'মই' ভাৱৰ প্ৰতীক। সেই 'মই' ভাৱ যদি গুছি যায় তেতিয়াহ'লে যি থাকে সেয়া অস্তিত্বৰ অনুভৱ মাথোঁ, মুখৰে কোৱাৰ বাবে একো নাথাকে।"

সন্ত কবীৰৰ দোহাতো আছে— "জল মে কুম্ভ, কুম্ভ মে জল হ্যায়, বাহাৰ ভিতৰ পানি/ফুটা কুম্ভ জল জল হি সমানা ইয়ে তত্ত্ব কথিও জ্ঞানী।" অৰ্থাৎ পানীৰ মাজত কলহ আছে আকৌ কলহৰ ভিতৰতেও পানী আছে, কলহৰ ভিতৰত আৰু বাহিৰতে পানী। কলহটো ভাগি গ'লে অকল পানীয়েই থাকে— জ্ঞানীয়ে এই তত্ত্ব বা অনুভৱ কৈ থাকে।

বিশ্বজগতৰ সকলোতে এক ঈশ্বৰেই বিৰাজমান — সকলো প্ৰাণীৰ অন্তৰতো ঈশ্বৰ, বাহিৰতো ঈশ্বৰ। কিন্তু মানুহে তাৰ ক্ষুদ্ৰ, সান্ত মনেৰে অনন্ত ঈশ্বৰৰ ধাৰণা কৰিব নোৱাৰে, তেওঁৰ অহংকাৰ অথবা 'মই'ভাৱৰ বাবে। এই 'মই'ভাৱ নগ'লে ঈশ্বৰক লাভ কৰা নাযায়— আৰু তাৰ বাবেই পূজা-জপধ্যান-তপস্যা— ক্ষুদ্ৰ ব্যক্তিগত 'মই'ক বৃহৎ ঈশ্বৰৰ 'মই'ত লীন কৰি দিয়াৰ প্ৰচেষ্টা।

আমাৰ হৃদয়ত জীৱাত্মা অথবা ক্ষুদ্ৰ 'মই'ভাৱৰ বাস কল্পনা কৰা হয় — যেন ঘটৰ ভিতৰত পানী। ঘটস্থাপনত ঘট হ'ল সেই হৃদয়ৰ প্ৰতীক। সেই ঘটত পৰমাত্মা অথবা বৃহৎ 'মই'ক আহ্বান কৰি পূজা-অৰ্চনা কৰা হয়। মূৰ্তি হ'ল নিৰ্দিষ্ট কোনো দেৱতা বা দেৱীৰ ৰূপ, কিন্তু ঘটত যি কোনো দেৱতা অথবা দেৱীৰ অধিষ্ঠান কল্পনা কৰা যায় কিয়নো ঈশ্বৰ সকলো দেৱ-দেৱী স্বৰূপ।

**প্ৰাণপ্ৰতিষ্ঠা**

প্ৰতিমা পূজাত এটা আৱশ্যকীয় কৰণীয় অনুষ্ঠান হ'ল— মূৰ্তিত প্ৰাণ প্ৰতিষ্ঠা কৰা। মাটি, শিল, কাঠ অথবা ধাতু ইত্যাদি জড় পদাৰ্থৰে দেৱতা বা দেৱীৰ যি মূৰ্তি তৈয়াৰ হয় সেইটো জড়, পুতলা মাথোঁ। সেয়েহে বহুতৰে ধাৰণা যে হিন্দুধৰ্মত পুতলা পূজা কৰা হয়। এই ধাৰণাটো সম্পূৰ্ণ ভ্ৰান্ত আৰু অজ্ঞানতাপ্ৰসূত। মাটি, কাঠ, ধাতুৰ মূৰ্তিত মন্ত্ৰ

পত্ৰিকা প্ৰৱেশৰ মাজেৰে দুৰ্গাপূজাৰ মূল অনুষ্ঠান প্ৰথামতে আৰম্ভণি হয়। বাকী দিনবিলাকত নৱ-পত্ৰিকা অইন দেৱ-দেৱীসকলৰ লগত পূজিত হৈ থাকে।

নৱ-পত্ৰিকাৰ পূজা সম্বন্ধে নানা মুনিৰ নানা মত আছে। প্ৰাক্ ঐতিহাসিক যুগৰ পৰাই সকলো সভ্যতায়ে পৃথিৱীক প্ৰকৃতিক মাতৃৰূপে দেখি আহিছে। কৃষিভিত্তিক সমাজবিলাকত পুৰণি কালৰ পৰাই নতুন ফচল উৎপাদন হোৱাৰ আগতে পৃথিৱীক খাদ্য শস্যৰ অধিষ্ঠাত্ৰী দেৱীৰূপে, মাতৃৰূপে কল্পনা কৰি পূজা কৰা হৈছিল, যাতে দেৱী সন্তুষ্ট হ'লে ভাল ফচল উৎপন্ন হয়। বহুতো গৱেষকৰ ধাৰণা যে সেই আদিম পৃথিৱীদেৱীৰ পূজায়েই নৱ-পত্ৰিকা পূজাৰ উৎস। কিন্তু মাৰ্কণ্ডেয় পুৰাণ অথবা কালিকাপুৰাণ, য'ত দুৰ্গাপূজাৰ বিশেষ বৰ্ণনা আছে, তাত নৱ-পত্ৰিকা পূজাৰ কোনো উল্লেখ নাই। হয়তো বা দেৱীপূজাক দীঘলীয়া কৰিবৰ বাবে বিভিন্ন সময়ত মূল পূজাৰ সৈতে বহুত আচাৰ-অনুষ্ঠান পিছলৈ যোগ কৰা হৈছে।

### কুমাৰীপূজা

দুৰ্গাপূজাৰ আৰু এটা বিশেষ বৈশিষ্ট্য হ'ল কুমাৰীপূজা। তন্ত্ৰশাস্ত্ৰত কুমাৰীপূজাৰ মাহাত্ম্য বিশদভাৱে কোৱা হৈছে। সপ্তমী, অষ্টমী অথবা নৱমী তিথিৰ কোনো এদিন অথবা তিনিদিনতেই কুমাৰীপূজা কৰা যাব পাৰে। ষোল্ল বছৰৰ কম বয়সৰ কন্যা কুমাৰী হিচাপে পূজিতা হোৱাৰ যোগ্য। সকলো প্ৰাণীৰ ভিতৰতে মানুহত ঈশ্বৰৰ প্ৰকাশ বেছি। আকৌ যি মানুহ যিমান বেছি শুদ্ধ তাৰ ভিতৰত ঈশ্বৰৰ প্ৰকাশ সিমানেই বেছি। শ্ৰীৰামকৃষ্ণদেৱে কৈছে "মাটিৰ প্ৰতিমাত তেওঁৰ পূজা হয়— আৰু মানুহৰ



ভিতৰত জানো নহ'ব? এনেকুৱা এটা মত আছে যে শালগ্ৰামতকৈও মানুহে ডাঙৰ হয়। নৰনাৰায়ণ।" কবি নজৰুলৰ এটা গানত আছে—

*"খেৰৰ প্ৰতিমাৰ পূজা তহঁতৰ*
*মাক তো তহঁতে নুপূজে!*
*প্ৰতি 'মা'ৰ মাজে প্ৰতিমা যে থাকে*
*(ঘৰে-ঘৰে ওৰে)*
*হায়ৰে অন্ধ; কিয় যে নুবুজে।"*

কুমাৰীপূজাৰ অৰ্থ জীৱন্ত দেৱীৰ পূজা। কুমাৰীপূজাৰ তাৎপৰ্য শ্ৰীৰামকৃষ্ণদেৱৰ কথাতেই স্পষ্ট ঃ "কুমাৰীপূজা কিয় কৰে? সকলো স্ত্ৰীলোক ভগৱতীৰ এটা এটা ৰূপ। শুদ্ধাত্মা কুমাৰীত ভগৱতীৰ বেছি প্ৰকাশ।" "কুমাৰীহঁতক আনি আগতে পূজা কৰিছিলো। দেখিছিলো, সাক্ষাৎ মা।" প্ৰকৃত সাধকে কুমাৰীক মানৱীয় স্থূল দৃষ্টিৰে নেদেখে— তেওঁৰ শুদ্ধ-সত্ত্ব পৱিত্ৰ মনতে কুমাৰীৰ দেৱীত্ব প্ৰকাশ পায়।

ৰামকৃষ্ণ মঠ আৰু মিছনৰ কেন্দ্ৰবিলাকত শাৰদীয় দুৰ্গাপূজাৰ মহাষ্টমীৰ ৰাতিপুৱাই অনুষ্ঠিত হোৱা কুমাৰীপূজা এটা বিশেষ আকৰ্ষণ। পূজাৰ বাবে নিৰ্দিষ্ট এজনী সুলক্ষণীয়া বালিকাক স্নানৰ পিছত নতুন কাপোৰ, পুষ্পমালা, নানাধৰণৰ অলংকাৰ আৰু আলতা-সেন্দুৰ-চন্দনেৰে সুসজ্জিত কৰি মণ্ডপত দুৰ্গা

তেওঁৰ প্ৰাণটো জুৰাব'।"

ভক্তসকলে তেতিয়া সুৰেন্দ্ৰৰ ঘৰলৈ গৈ জানিব পাৰিলে যে, যি সময়ত ঠাকুৰৰ সমাধি হৈছিল, ঠিক সেই সময়তেই সুৰেন্দ্ৰই দৰাচলতে চোতালত বহি এক ঘন্টা ধৰি শিশুৰ দৰে উচ্চস্বৰত 'মা', 'মা' বুলি কান্দিছিল। ভক্তসকলে বিস্ময়ত অভিভূত আৰু আনন্দতে হতবুদ্ধি হৈ পৰে।

ভক্তসকলৰ বিশ্বাস, জননী শ্ৰীমা সাৰদাদেৱীয়ে আছিল মহাশক্তি জগজ্জননীৰ জীৱন্ত ৰূপ। এবাৰ ভক্তভৈৰৱ বুলি খ্যাত নাট্যকাৰ গিৰিশ ঘোষে নিজৰ ঘৰত দুৰ্গাপূজা পাতিছিল। তেওঁৰ নিমন্ত্ৰণত শ্ৰীমা সাৰদাদেৱীয়ে জয়ৰামবাটীৰ পৰা কলকাতালৈ আহিছে। সপ্তমী, অষ্টমী দুদিনেই 'মা'য়ে গিৰিশৰ ঘৰলৈ আহিছে। সেই বছৰত সন্ধিপূজা গভীৰ ৰাতি, গতিকে 'মা'য়ে আহিব নোৱাৰিব বুলি গিৰিশবাবু দুখতে কাতৰ হৈ পৰিছে। কিন্তু সন্ধিপূজাৰ কিছুসময় আগতে 'মা'য়ে গিৰিশৰ ঘৰলৈ আহি দৰজাত টুকুৰিয়াই ক'লে, "মই আহিছোঁ"। সন্ধিপূজাৰ সন্ধিক্ষণত 'জীৱন্ত দুৰ্গা' স্বয়ং ভক্তৰ ঘৰলৈ আহিছে ভক্তৰ মনোবাঞ্ছা পূৰণ কৰিবৰ বাবে— সেয়েহে গিৰিশ আনন্দত আপ্লুত হৈ পৰিছে। 'মা' প্ৰতিমাৰ পিনে নিৰদ্ধ দৃষ্টিৰে চাই থিয় হৈ থাকিল আৰু ভক্তসকলৰ পূজা গ্ৰহণ কৰিল।

**বলিদান**

পূজাত বলিদান অতি প্ৰাচীন প্ৰথা। বৈদিক যুগত যজ্ঞত দামুৰি অথবা অশ্বমেধ যজ্ঞত অশ্ব বলি দি সেই মাংস অগ্নিত আহুতি দিয়া হৈছিল। তান্ত্ৰিক পূজাতো বলিদানৰ নিয়ম আছে। কিন্তু তাত পশুবলীৰ পৰিবৰ্তে কুঁহিয়াৰ, কল, কোমোৰা বা তামোল বলি দিয়াও বিধিসন্মত। শাক্যমুনি বুদ্ধদেৱে যজ্ঞত পশুবলি দিয়াৰ চৰম বিৰোধিতা কৰিছিল। 'অহিংসা পৰম ধৰ্ম'— বৌদ্ধ ধৰ্মৰ অন্যতম মুখ্য বাণী। বৌদ্ধ, জৈন, বৈষ্ণৱ ধৰ্মত বলিদানৰ প্ৰথা নাই। মানুহৰ অন্তৰত পাশৱিক ভাৱৰ যি প্ৰৱণতা আছে, সেইটো বিনাশৰেই বাহ্যিক প্ৰতীক হ'ল বলিদান।

তন্ত্ৰশাস্ত্ৰকাৰসকলৰ মতে নিজৰ শৰীৰৰ তেজ দি পূজা কৰিলে দেৱী হাজাৰগুণে তুষ্ট হয়। দেৱীৰ ওচৰত নিজৰ অহংকাৰ অথবা 'মই'ভাৱ বলি দিয়াই শ্ৰেষ্ঠ বলি। নিজৰ তেজ দান আত্মবলিদানৰ প্ৰতীক— আত্মসমৰ্পণৰ স্থুল প্ৰতীক। নিজৰ তেজৰ সলনি এটা নিৰীহ দুৰ্বল পশুক বলি দিলে দেৱী কিমানখিনি সন্তুষ্ট হ'ব জনা নাযায়। তথাপি কালীপূজাতেও এই বলিদানৰ প্ৰাধান্য— দুৰ্গাপূজাতো কোনো কোনো ঠাইত বলিদান হয়। বাৰোৱাৰী সাৰ্বজনীন, দুৰ্গাপূজাত পশু বলিদান দেখা নাযায়। হিন্দুধৰ্মৰ অইন কোনো দেৱতা অথবা দেৱীৰ পূজাত বলিদানৰ প্ৰথা নাই।

তান্ত্ৰিক পূজাত দেৱীক আমিষ ভোগ দিয়াৰ ৰীতি আছে। বধ্য পশুৰ মাংসকে কোৱা হয় মহাপ্ৰসাদ। আমিষ খোৱাটো কেতিয়াও নিন্দনীয় নহয় আৰু যি কোনো খাদ্য-পানীয় দেৱতাক ভোগ নিবেদন কৰি অথবা মনে মনে ঈশ্বৰক নিবেদন কৰি খোৱা ভাল। কিন্তু সেয়া কৰিবলৈ গৈ ঢাক-কাঁহ-ঘন্টা বজাই জীৱন্ত নিঃসহায় পশুটোক সকলোৰে সন্মুখত বলি দিয়া আৰু তাৰ মাংস মহাপ্ৰসাদ নাম কৰি খোৱা শাস্ত্ৰসন্মত হ'ব পাৰে, কিন্তু যুক্তিসঙ্গত নহয়। বাবুৰ বয়স হৈছে দাঁত পৰিছে, সেয়েহে এতিয়া আৰু পশুবলি নহয়— এনেধৰণৰ ৰং-তামসা প্ৰৱাদপ্ৰতিম। শ্ৰীৰামকৃষ্ণদেৱে এনেধৰণৰ প্ৰৱাদক লৈ ভক্তসকলৰ সৈতে হাঁহি-ঠাট্টাও কৰিছে। অধৰ

### হোম

প্ৰাচীন ভাৰতবৰ্ষত বৈদিক যুগত যজ্ঞ বা হোম আছিল প্ৰধান ধৰ্মীয় অনুষ্ঠান। পূজা আৰু হোম সমগোত্ৰীয় অনুষ্ঠান। পূজাত যেনেকৈ নানাৰকম অনুগ্ৰহ লাভৰ কামনাৰে দেৱতাক নানাধৰণৰ সামগ্ৰীৰে যেনে ফুল, বেলপাত, নৈৱদ্য আদিৰে মন্ত্ৰ উচ্চাৰণৰ সৈতে সমুখৰ পাত্ৰত দিয়া হয়, হোমোতো তেনেকুৱা বিবিধ উপচাৰক অগ্নিত আহুতি দিয়া হয়। প্ৰাচীনকালত অগ্নিক দেৱতাৰ মুখ বুলি ভবা হৈছিল। দেৱতাক মন্ত্ৰৰ সৈতে নিবেদন কৰা দ্ৰব্য অগ্নিয়ে দেৱতাৰ ওচৰলৈ লৈ যাব— এই আছিল বিশ্বাস। হোমত নিবেদন কৰা দ্ৰব্যক 'হব্য' বোলে, দানৰ প্ৰক্ৰিয়াটোক কোৱা হয়



'আহুতি' আৰু হোমত অগ্নি জ্বলাবৰ বাবে ব্যৱহাৰ হোৱা কাঠক বোলে 'সমিধ'। হোম যেতিয়া চলি থাকে, তেতিয়া নিৰৱচ্ছিন্নভাৱে অগ্নি জ্বলি থকাটোৱে নিয়ম। তাৰ বাবে প্ৰয়োজন হয় ইন্ধনৰ। এই ক্ষেত্ৰত ঘিউক ইন্ধনৰূপে আহুতি দিয়া হয়। অগ্নি হ'ল শক্তিৰ বাহ্যিক প্ৰকাশ। সেয়েহে অগ্নিত সমৰ্পণ কৰা মানেই হ'ল মহাশক্তিক প্ৰত্যক্ষভাৱে অৰ্পণ কৰা। যি দেৱতা বা দেৱীৰ উদ্দেশ্যে হোম অনুষ্ঠিত হয় অগ্নিক তাৰ নামেই নামাকৰণ কৰা হয়। দুৰ্গাপূজাত যি হোম হয় তাৰ নাম হ'ল 'সপ্তশতী হোম'।

জুইত সকলো বস্তুৱেই দাহ্য হয় আৰু বস্তুৰ ভেদাভেদ লোপ পাই যায়। স্বামী প্ৰমেয়ানন্দজী তেওঁৰ 'পূজাবিজ্ঞান' গ্ৰন্থত লিখিছে, "সমিধ, পুষ্প, ফল আদি বিভিন্ন হোমৰ দ্ৰব্য অগ্নিত দেৱতাৰ উদ্দেশ্যে আহুতি দিলে দগ্ধ হোৱাৰ বাবে অগ্নিময় হৈ যায়। এই ভিন ভিন বস্তুৰ অভিন্ন হৈ যোৱাটোৱে হোমৰ উদ্দেশ্য। তত্ত্বৰ দিশৰ পৰা চাবলৈ গ'লে, 'ইন্দ্ৰিয়ৰ দ্বাৰা যি বিষয়বোৰ গ্ৰহণ কৰা হয়, সেইবিলাক জীৱাত্মাৰূপ পৰমশিৱকেই আহুতি প্ৰদান কৰা মাথো, আত্মসুখৰ বাবে নহয়, এনেদৰে সদায়েই ভাবিব লাগিব।' শাস্ত্ৰীয় হোম অনুষ্ঠানত এই ভাৱ দৃঢ় হয়। অগ্নি-মুখত দেৱতাৰ উদ্দেশ্যে অৰ্ঘ্য অৰ্পণ কৰিলে হোম কৰাজনৰ তেতিয়া সকলোয়েই ব্ৰহ্মময় বুলি অনুভৱ হয়। কাৰণ তেতিয়া তেওঁৰ ওচৰত অৰ্পণ, ঘিউ, হোমৰ অগ্নি, হোমৰ প্ৰক্ৰিয়া আৰু হোম কৰাজন নিজে— সকলো বস্তুৱেই ব্ৰহ্ম।" গীতাৰ জ্ঞানযোগত আমি পাওঁ ঃ

*"ব্ৰহ্মাৰ্পণং ব্ৰহ্ম হবিৰ্ব্ৰহ্মাগ্নৌ ব্ৰহ্মণা হুতম্।*
*ব্ৰহ্মৈৱ তেন গন্তব্যং ব্ৰহ্মকৰ্মসমাধিনা।।"*

*(৪/২৪)*

ব্ৰহ্মবিদে হবনীয় দ্ৰব্যৰ অৰ্পণ, ঘিউ, হোমাগ্নি, আহুতি দানৰ কৰ্তা আৰু হোমৰ ক্ৰিয়াক ব্ৰহ্মৰূপে দৰ্শন কৰে। তেওঁৰ দৃষ্টিত ব্ৰহ্মৰূপ কামত সমাহিতচিত্ত ব্যক্তিৰ যি ফল পাব লাগে, সেয়াও ব্ৰহ্ম।

### বিসৰ্জন

সাময়িক প্ৰতিমা পূজাৰ শেষ অঙ্গ হ'ল বিসৰ্জন। সকলো প্ৰাণীৰেই মৃতদেহ নষ্ট হয়। পৃথিৱীৰ মাটি, পানী, বতাহৰ পৰা উপাদান সংগ্ৰহ কৰি তৈয়াৰ হোৱা প্ৰাণীৰ দেহ মৃত্যুৰ পিছত আকৌ পৃথিৱীৰ মাটি-পানী-বতাহতেই মিহলি হৈ যায়। ঠিক

# ৰজাঘৰীয়া দুৰ্গাপূজা

## জিতেন্দ্ৰজিৎ দাস

অৱসৰপ্ৰাপ্ত উপ-আৰক্ষী অধীক্ষক (অসম), সু-লেখক আৰু সমাজসেৱক, ফোন ঃ ৯৪৩৫৫৫১৭৩৬

আহোমসকল মূলতঃ অহিন্দু আছিল। তেখেতসকলে অসমলৈ আহোতে ‘চোখদেও’ নামৰ দেৱতাক লগত লৈ আহিছিল। মোহন আৰু বাইলুং নামৰ নিজা পুৰোহিত আছিল। বিশেষকৈ ৰাজ অভিষেক আৰু অন্ত্যেষ্টিক্ৰিয়া তেওঁলোকৰ নিজা ৰাজকীয় নীতি নিয়মেৰে কৰিছিল। তেওঁলোকে স্বগোত্ৰীয় শ্যান আৰু খামটিসকলৰ দৰে মৰা শ পুতিহে থৈছিল। ১১৫১ শকৰ পৰা ১৩২০ শকলৈ অৰ্থাৎ চুকাফা ৰাজপটত উঠাৰ পৰা চুডাঙ্গফা ৰজা হোৱালৈ প্ৰায় ১৭০ বছৰ আহোম ৰাজপৰিয়ালত হিন্দুধৰ্মই গা কৰি উঠা নাছিল। তৎস্বত্বেও তেওঁলোকে সেই সময়ৰ স্থানীয় ধৰ্ম আৰু ভাষাত হস্তক্ষেপ কৰাৰ উদাহৰণ বুৰঞ্জীত পাবলৈ নাই। যিহেতু দুৰ্গাপূজা আৰু হিন্দুত্ববাদ ইটো সিটোৰ পৰিপুৰক সেয়েহে এই আলোচনাত দুৰ্গাপূজাৰ লগতে আহোম ৰাজপৰিয়ালত হিন্দুধৰ্মৰ প্ৰৱেশৰ কথাও আলোচনা কৰিবলগীয়া হৈছে। কিয়নো দীৰ্ঘদিন ব্ৰহ্মপুত্ৰ উপত্যকাত বসবাস কৰা বাবে হিন্দুত্বৰ প্ৰভাৱ ৰজাঘৰত পৰিছিল, কাৰণ উপত্যকাৰ বেছিভাগ অধিবাসীয়েই হিন্দু ধৰ্মালম্বী আছিল।



*নন্দলাল বসুৰ অংকিত মা দুৰ্গা*

আহোম ৰাজপৰিয়ালত উপযুক্ত কোঁৱৰ নাপাই ১৩২০ শক ইংৰাজী ১৩৯৮ চনত এঘৰ বামুনৰ ঘৰত ডাঙৰ দীঘল হোৱা আহোম কোঁৱৰক তুলি আনি আহোমমতে আৰু হিন্দুমতে প্ৰতাপ সিংহ চুডাঙ্গফা নাম দি ৰজা পাতিলে। তেওঁৰ দিনতেই পোন প্ৰথমবাৰৰ বাবে হিন্দু ধৰ্মই ৰাজপৰিয়ালত প্ৰৱেশ কৰিলে। ৰজা হৈ তেওঁ ডাঙৰ হোৱা ঘৰখনৰ ল’ৰাহঁতক আপোন ভাই-ককাই জ্ঞান কৰি কোঁৱৰ পাতি দিহিঙ্গত ঠাপিলে। সেই ঁলক্ষ্মীনাৰায়ণ শালগ্ৰাম এজনা আছিল। ৰজাই সেই শালগ্ৰামজনা আনি কাৰেঙত স্থাপন কৰি লক্ষ্মীনাৰায়ণৰ অৰ্চনা কৰিলে। এইদৰেই আহোম ৰাজ কাৰেংত হিন্দুধৰ্মৰ

শক ১৬৩৬ ইংৰাজী ১৭১৪ খৃঃ ৰুদ্ৰসিংহৰ মৃত্যুত তেওঁৰ বৰপুত্ৰ শিৱসিংহই ৰাজপাটত উঠে। শিঙ্গৰি ঘৰত উঠি ৰাজ অভিষেক কৰি তেওঁ আহোম মতে চুতন্‌ফা আৰু হিন্দুমতে শিৱসিংহ নাম ল'লে। পিতৃৰ আদেশ শিৰোধাৰ্য্য কৰি বঙ্গদেশৰ সিমলাগ্ৰাম নিবাসী কৃষ্ণৰাম ন্যায়বাগিশ ভট্টাচাৰ্য্যৰ শৰণ লয়। ফলত ভট্টাচাৰ্য্য গুচি গোঁসাই নাম পালে। এই গোঁসাইকে উজনি আৰু ভাটি কামৰূপত মাটি, মানুহ, বৃত্তিয়াল কৰি দিছিল। স্বৰ্গদেৱে গোঁসাইজনাক থাকিবলৈ নীলাচল পাহাৰত ঘৰ সজাই দিয়া বাবেই তেওঁ পৰ্বতীয়া গোঁসাই নামে জনাজাত হয়। গোঁসাইৰ ইচ্ছা অনুসাৰেই সাধ্যানুসাৰে গোঁসাই দ্বাৰা বিধি বনাই গুৱাহাটীৰ সকলো দেৱ-দেৱালয়ৰ পূজাৰ নিবন্ধ কৰে। এইজনা ৰজাই ৰত্নকান্তি, ফুলেশ্বৰী, সৰ্বেশ্বৰী আৰু মদাম্বিকা নামৰ চাৰিগৰাকী মহিলাৰ পাণি গ্ৰহণ কৰিছিল। অৱশ্যে ইয়াৰ তৃতীয় আৰু চতুৰ্থ গৰাকীক আগৰ পত্নী দেহাৱসান হোৱাৰ পিচতহে বিয়া কৰাইছিল। ফুলেশ্বৰী অতি নিম্ন শ্ৰেণীৰ পৰা অহা আছিল। তেওঁৰ দেউতাক সৰ্বানন্দ আছিল এজন নট। কথিত আছে ফুলমতী আৰু তাইৰ ভনীয়েক দ্ৰৌপদীয়ে এজাক ল'ৰা-ছোৱালীৰ সতে পথাৰত গৰু চৰাই আছিল। ৰাজ বিষয়া ৰূপেশ্বৰ বৰবৰুৱাই ফুলমতী, দ্ৰৌপদীৰ ৰূপ লাৱণ্যক সহজে চিনিব পাৰিছিল। সেয়েহে সিহঁত দুজনীক শিৱসিংহৰ বৰৰাণী ৰত্মাকান্তীৰ লিগিৰি কৰি যোগ্য উপঢৌকন পোৱাৰ মানসেৰে লৈ আহি বৰৰাণীক দান কৰিছিল। ৰজাঘৰত ফুলমতীয়ে নিজৰ ব্যক্তিত্বৰ মোহিনী শক্তিৰে সকলোকে জয় কৰিলে। পিছত ডাঙৰ হৈ অহাত সৰু ৰাণীৰ শাৰীলৈ উঠিল। পিচত নিজৰ সৌন্দৰ্য্য আৰু ব্যক্তিত্বৰ প্ৰভাৱৰ বলত ফুলমতীয়ে ৰজা শিৱসিংহক তেওঁৰ বৰৰাণীৰ মৰ্যাদা আৰু ৰাজ্যৰ প্ৰথম মহিলা হিচাবে সন্মান যাচিবলৈ বাধ্য কৰাইছিল। ৰত্নাকান্তি আইদেউৰ মৃত্যুৰ পিচত তেওঁ ফুলমতিৰ পৰা ফুলেশ্বৰী নাম লৈ বৰকুঁৱৰীৰ আসন লাভ কৰিছিল।

শিৱসিংহ ৰজাই ব্ৰাহ্মণ আৰু দৈবজাত সকলক বৰকৈ মানিছিল। গণনা কৰি ৰাজ-দৈবজ্ঞই যেতিয়া তেওঁৰ ছত্ৰভঙ্গৰ দিন উপস্থিত হোৱা বুলি ক'লে তেতিয়া তেওঁ বিনা বাক্যয় ৰাজসিংহাসন বৰজনা ৰাণী ফুলেশ্বৰী কুঁৱৰীক প্ৰমথেশ্বৰী নাম দি সমৰ্পণ কৰিলে। বৰৰজা উপাধিৰে ৰাজকীয় ছত্ৰ দি অভিষেক পতা হ'ল, লগতে তেওঁৰ নামত মোহৰতো ছাপ মৰা হ'ল।

দূৰ্ভাগ্যবশতঃ ৰাণী ফুলেশ্বৰীয়ে পুৰণি ধৰ্মীয় নীতি কিছুমান আওঁকান কৰি শাক্ত ধৰ্ম লৈ বেছি আস্থা দেখুৱাত ৰক্ষণশীল শ্ৰেণীটোৰ মাজত অপ্ৰিয় হৈ পৰিছিল। নাৰী হৈ তেওঁ হাতীত উঠি ফুৰাটো অসমীয়া পৰম্পৰাৰ বিপৰীতে যোৱা, বলপূৰ্বকভাৱে শৰদাহ কাৰ্য্য প্ৰয়োগ কৰা কাৰ্য্যত সম্ভ্ৰান্ত আহোম ডা-ডাঙৰীয়াসকলে বিতুষ্ট হৈ পৰিছিল। কৃষ্ণৰাম ন্যায়বাগিশৰ পৰা মন্ত্ৰলৈয়ে তেওঁ ভাবিব আৰম্ভ কৰিছিল, শাক্ত ধৰ্ম প্ৰচাৰহে তেওঁৰ প্ৰথম কৰ্ত্তব্য। ইয়াৰ বাবে বৈষ্ণৱ পন্থীসকলকো বাধ্য কৰিবলৈ কুণ্ঠাবোধ কৰা নাছিল। ৰাণীয়ে ৰাজধানীত জাক-জমকতাৰে আৰু গাম্ভীৰ্য্যৰে দুৰ্গাপূজা পালন কৰিছিল। বৈষ্ণৱ গোঁসাইসকলে এইবিধ পূজাৰ প্ৰতি অৱমাননাৰ ভাৱ দেখুৱাইছিল। এবাৰ ৰাণীয়ে মোৱামৰীয়া সত্ৰৰ ধৰ্মীয় নেতাকে ধৰি ভালেমান বৈষ্ণৱ গোসাইক দুৰ্গাপূজা উপলক্ষে ৰাজধানীত আয়োজিত আনন্দ উৎসৱত ভাগ ল'বলৈ আমন্ত্ৰণ

যুগ-পুৰুষ

# বিবেকানন্দ এক, প্ৰতিভা অনেক

**নীলদীপ চক্ৰৱৰ্ত্তী**

শিক্ষক, সংবাদকৰ্মী, বিবেকানন্দ কেন্দ্ৰ বিদ্যালয়, তিনিচুকীয়া, অসম, ফোনঃ ৯৪০১১০১৬৪৩

যদি পৃথিৱীৰ মাজত এনে কোনো এখন দেশ আছে, যিখনক পুণ্যভূমি নামেৰে চিহ্নিত কৰিব পাৰি, য'ত মনুষ্য জাতিৰ ভিতৰত অধিকতম ক্ষমা, দয়া, পৱিত্ৰতা, শান্তভাৱ আদি সহজগুণৰ বিকাশ হৈছে সেইখন দেশেই হ'ল ভাৰতবৰ্ষ।

উক্ত কথাষাৰ ধ্বনিত হৈছিল স্বামী বিবেকানন্দৰ মুখত। এয়া যেন মাত্ৰ উচ্চাৰণ নহয়, এয়া তেওঁৰ হৃদয়ৰ অন্তঃস্থলৰ এক স্বতঃস্ফূৰ্ত ঘোষণা। সাধাৰণতে যেতিয়া আমি মহাত্মা, সন্ত বা সন্ন্যাসীক দেখো, তেওঁলোকৰ সম্পৰ্কে আমাৰ ধাৰণা হয় যে নিৰ্জন পাহাৰ জঙ্গল বা পাণ্ডৱ বৰ্জিত ঠাইত কোনো আসনত বহি নিজৰ উন্নতি, মুক্তি বা সিদ্ধি লাভৰ আশাত নিৰবচ্ছিন্নভাৱে ঈশ্বৰ-চিন্তাত মগ্ন কোনো ব্যক্তি হিচাপে। কিন্তু এই ক্ষেত্ৰত ভাৰতবৰ্ষৰ প্ৰথম ব্যতিক্ৰমী সন্ন্যাসীজনৰ নাম নিঃসন্দেহে স্বামী বিবেকানন্দ। বিবেকানন্দই প্ৰথম সন্ন্যাসী, যিজনে আত্মমুক্তিৰ আগত দেশৰ সৰ্বাঙ্গীন উন্নতি সাধনক প্ৰাধান্য দিছিল। আৰু ইয়াকেই নিজৰ ধ্যান জ্ঞান আৰু একমাত্ৰ লক্ষ্য কৰি তুলিছিল। সেয়েহে তেওঁৰ মুখত উচ্চাৰিত হৈছিল, 'যেতিয়ালৈকে মোৰ দেশৰ ৰাস্তাৰ এটা কুকুৰও ভোকাতুৰ থাকিবলগা হ'ব, তাৰ খোৱা-বোৰা আৰু আলপৈচান ধৰাটোহে মোৰ ধৰ্মস্বৰূপ হ'ব।'

'Patriot Saint of Bharat' এই ইংৰাজী আপ্তবাক্যৰে স্বামীজীক সম্ভাষণ কৰা হৈছে। ভগিনী নিবেদিতাই কৈছিল, স্বামী বিবেকানন্দ একেধাৰে আছিল ভাৰতৰ শ্ৰেয়োধৰ্মী অধ্যাত্ম-ধাৰণাৰ প্ৰতীক আৰু বিশিষ্ট দেশ প্ৰেমিক। ইংৰাজী শিক্ষাৰ বহুল ব্যৱহাৰ আৰু ইংৰাজৰ শাসনকালত স্বামীজীৰ আবিৰ্ভাৱ। কিন্তু সেই বিদেশীসংস্কৃতিৰ প্ৰভাৱমুক্ত হৈ তেওঁ সংকটময় সময়ত দেশৰ হৃতগৌৰৱ পুনৰুদ্ধাৰত সচেষ্ট হৈছিল। ভাৰতৰ ৰাষ্ট্ৰীয়তাবাদ বা ৰাষ্ট্ৰচেতনাৰ যিসকল দিকপালৰ নাম জগতৰ ইতিহাসত উল্লেখযোগ্য বিবেকানন্দ নিঃসন্দেহে সেই তালিকাৰ অন্যতম। দেশীয় অন্ধবিশ্বাসৰ মূলত তেওঁ যিসময়ত কুঠাৰাঘাত কৰিছিল, সেই একে সময়ত ভাৰতৰ প্ৰাচীন ৰীতি-নীতিৰ তেওঁ আছিল নৈষ্ঠিক পূজাৰী। উপনিষদ আৰু বেদান্তৰ প্ৰয়োগৰ মাধ্যমত দেশৰ জাতীয় চেতনাত তেওঁ বিদ্যুৎ সঞ্চাৰ কৰিছিল। সত্য, ধৰ্ম, প্ৰেম আৰু নিষ্ঠাৰ যি শাশ্বতবাণী ভাৰতবৰ্ষক জগতত এক মৌলিক বৈশিষ্ট্যপূৰ্ণ দেশ হিচাপে প্ৰতিষ্ঠিত কৰে বিবেকানন্দ সেই বাণীৰ প্ৰচাৰক আছিল। সেয়েহে বিশ্বকবি ৰবীন্দ্ৰনাথে কৈছিল— তুমি যদি ভাৰতবৰ্ষক জানিব বিচৰা তেন্তে

নেতাজীয়ে তেওঁৰ লেখা আৰু বক্তৃতাত স্বামীজীৰ বাণীয়ে যে তেওঁক উদ্বুদ্ধ কৰিছিল এই কথাষাৰ বহুবাৰ উচ্চাৰণ কৰিছিল।

সাম্যবাদী ভাবধাৰা স্বামীজীৰ মজ্জাগত আছিল। তেওঁৰ মুখত ভাৰতবৰ্ষই এটা নতুন শব্দ শুনিলে, 'দৰিদ্ৰ নাৰায়ণ'! ইতিপূৰ্বে যীশুখ্ৰীষ্টয়ে পীড়িত সকলক সম্বোধন কৰি কৈছিল 'শ্ৰমিক'বুলি। তেওঁৰ কথাত— 'Come to me all who labours and I will give you rest!' কিন্তু সমাজবাদী বিবেকানন্দই অবহেলিত নিষ্পেষিত সকলক ঈশ্বৰৰ সৈতে তুলনা কৰিলে আৰু ক'লে দৰিদ্ৰৰ অভাৱ দূৰ কৰি তাক নৰ-নাৰায়ণত প্ৰতিষ্ঠা কৰাৰ পথছোৱাই প্ৰকৃত সাম্যবাদৰ পথ। তেওঁ ক'লে 'দৰিদ্ৰ দেৱো ভৱ, মূৰ্খ দেৱো ভৱ, চণ্ডাল দেৱো ভৱ'। নৱ সাম্যবাদ বা জাতীয়তাবাদৰ ইয়াতকৈ আৰু প্ৰকৃষ্ট উদাহৰণ আৰু কি হ'ব পাৰে। স্বামীজীয়ে দেখিছিল তদানীন্তন ভাৰতৰ অশিক্ষিত আৰু শিক্ষিত সকলো জনসাধাৰণকেই ইউৰোপীয় বস্তুতান্ত্ৰিকতা, অন্ধ অনুকৰণপ্ৰিয়তা, বাহ্য সম্পদৰ লোভ, ভোগ-সৰ্বস্বতা ইত্যাদিয়ে ক্ৰমশঃ গ্ৰাস কৰি পেলাইছে। এইবোৰে স্বামীজীৰ শৰীৰত পীড়া দিছিল, তেওঁ শংকিত হৈছিল। ইয়াৰ প্ৰতিকাৰ স্বৰূপ তেওঁৰ নিজৰ ৰচনাত স্বদেশৰ উন্নতি, স্বৰাজ্য আৰু অৰ্থনৈতিক স্বাধীনতাৰ বিষয়ে আলোচনা কৰি ধৰ্ম আৰু আধ্যাত্মিকতাৰ উন্মেষৰ লগত বস্তুতান্ত্ৰিক দিশতো মানুহক অনুপ্ৰাণিত কৰাৰ চেষ্টা কৰিছিল। জাতিটোক



পাশ্চাত্যৰ মোহমুক্ত কৰাৰ সাধনা বেদান্ত শিক্ষাৰ মাধ্যমে কিদৰে কৰিব পাৰি এই বিষয়ে তেওঁৰ আগতে কোনোৱে পৰীক্ষা-নিৰীক্ষা কৰা নাই। তেওঁ জাতীয় ঐতিহ্য অৱলম্বনৰ মাধ্যমেৰে ৰাষ্ট্ৰবাদী চেতনাক জাগ্ৰত কৰাৰ প্ৰয়াস কৰিছিল। তেওঁৰ বাণীত আমি শুনো, 'তোমাৰ উপাস্য দেৱতা, তোমাৰ সৰ্বত্যাগৰ আদৰ্শ, তোমাৰ জীৱন সমাজ সেৱাত উৎসৰ্গীকৃত'। সাম্যবাদৰ উৎকৃষ্ট নিদৰ্শন বিবেকানন্দই তেতিয়া দেখুৱালে যেতিয়া প্লেগ ৰোগে কলকাতা চহৰত মহামাৰি আকাৰ ধাৰণ কৰিছে আৰু ইয়াৰ প্ৰতিকাৰত অৰ্থাভাৱ হোৱাত বেলুড়মঠৰ মাটিখিনিও তেওঁ বিক্ৰি কৰিবলৈ উদ্যত হৈছিলে। তেওঁৰ সেৱাদৰ্শৰ লগত সাম্যবাদৰ অদ্ভুত সামঞ্জস্য থকা কথাষাৰ নিঃসন্দেহে 'জীৱে প্ৰেম কৰে যিজন, সেইজন সেৱিছে ঈশ্বৰ'! জনসাধাৰণৰ উন্নতি আৰু কল্যাণচিন্তাৰ ৰাষ্ট্ৰনায়ক স্বামীজীয়ে দেশৰ প্ৰতিজন জনতাক আহ্বান জনাইছিল— 'হে বীৰ, সাহস অৱলম্বন কৰা, বীৰ্যৱান হোৱা, আত্মবিশ্বাসী হোৱা'।

**শিক্ষা**

জাতীয় শিক্ষাব্যৱস্থাৰ মূল ত্ৰুটিসমূহ তেওঁৰ দৃষ্টিগোচৰ হৈছিল। তেওঁ কৈছিল, 'মানুহৰ অন্তৰ্নিহিত দেৱত্বৰ বিকাশ সাধনেই হ'ল শিক্ষা। যাৰ দ্বাৰা ইচ্ছাশক্তি বিকশিত, বৰ্ধিত আৰু সৎভাবে চালিত হয় সেয়েই শিক্ষা'। পাঠ্যপুথিৰ বাহিৰেও হাতে-কলমে বিভিন্ন কাৰিকৰী শিক্ষাৰ প্ৰসাৰত তেওঁ গুৰুত্ব আৰোপ কৰিছিল। ৰামকৃষ্ণ মিচনৰ বিভিন্ন শাখা

হিংসাৰ বাতাবৰণ, স্বৈৰাচাৰৰ ভিত্তিত যিসকল সাম্ৰাজ্য ইতিপূৰ্বে গঢ় দি উঠিছিল, সেইসকলৰ সভ্যতা আৰু সাম্ৰাজ্য ধ্বংসপ্ৰাপ্ত হৈছে। আনফালে ভাৰতত বহু বৈদেশিক আক্ৰমণৰ আগ্ৰাসন ইত্যাদি চলিছিল যদিও, কিন্তু আধ্যাত্মিকতা আৰু ধৰ্মৰ সুদৃঢ় বাৰ্তাই দেশৰ আভ্যন্তৰীণ এনাজৰীক অক্ষত ৰাখিছে। স্বামীজীৰ সপোন এনে আছিল যে, ভাৰতত এক নতুন সমাজ বিন্যাসৰ সৃষ্টি হওক আৰু লগতে বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ শেহতীয়া প্ৰগতিমূলক জ্ঞানৰ সৈতে শ্ৰেষ্ঠ ভাৰতীয় আধ্যাত্মিক পৰম্পৰাৰ সংমিশ্ৰণেৰে এবিধ নতুন সভ্যতাৰ সৃষ্টি হওক। ধন সম্পদৰ সমৃদ্ধিয়েই যথেষ্ট নহয়, মানুহ মানৱিক হ'ব লাগিব, অৰ্থাৎ মানৱীয় গুণবোৰেৰে সমৃদ্ধ হ'ব লাগিব। প্ৰত্যেক ভাৰতীয়ৰ কৰ্তব্য সম্পৰ্কে এনে স্পষ্ট ভাষাত বিবেকানন্দৰ পূৰ্বে সম্ভৱত কোনেও উপস্থাপন কৰা নাই— 'তোমালোকে ক'ব খুজিছা নেকি আজিৰ গৰিষ্ঠ সংখ্যক শিক্ষিত হিন্দুৰ দৰে মইও জাতি বৰ্ণৰ চিন্তাত পাগল, কু-সংস্কাৰাচ্ছন্ন, নিষ্ঠুৰ, শঠ, কাপুৰুষতাৰে জীৱন-যাপন কৰিম? ভীৰুতাক মই ঘৃণা কৰোঁ, কাপুৰুষালি, ৰাজনৈতিক কাৰচাজিৰ সৈতে মোৰ ৰাহি-যোৰা নাহে। সাহস বুকুত বান্ধি কামত আগবাঢ়া! ধৈৰ্য্যৰে আৰু ধীৰ স্থিৰ গতিত কাম কৰা, তাৰ বিকল্প নাই। মনত ৰাখিবা, ধৈৰ্য্য, চাৰিত্ৰিক পৱিত্ৰতা, সাহস আৰু নিৰলস কৰ্ম... সফলতা তোমালোকৰ হাতৰ মুঠিত'।

ব্যতিক্ৰমী সন্ন্যাসী বিবেকানন্দৰ সম্পূৰ্ণ জীৱন ৰাষ্ট্ৰহিতকৰ ভাৱনাত অতিবাহিত হৈছে বুলি ক'লে ভুল নহ'ব। তেওঁৰ বাণীত এই কথাষাৰ স্পষ্ট হয়— 'আগন্তুক পঞ্চাশ বছৰৰ কাৰণে এই জননী জন্মভূমি ভাৰতমাতাই আমাৰ আৰাধ্যা দেৱী হৈ থাকক, আন দেৱ-দেৱীৰ পূজাৰ দৰকাৰ নাই। যি আধ্যাত্মিক অনুভূতিৰ প্ৰভাৱত ভাৰতবৰ্ষ এদিন ভিন্ন ভিন্ন সভ্যতা আৰু বিভিন্ন সংস্কৃতিৰ মিলন ক্ষেত্ৰ হৈ উঠিছিল, কেৱল সেই অনুভূতিৰ শক্তিৰে তাৰ পুনৰুত্থান আৰু পুনঃপ্ৰতিষ্ঠা সম্ভৱ। মোৰ দৃঢ় বিশ্বাস যে ভাৰতৰ ভৱিষ্যত আৰু অধিক গৌৰৱময় হ'ব।'

## অনুষ্ঠান-সূচী

আহিন—আঘোণ, ১৪২৬ (অক্টোবৰ—ডিচেম্বৰ, ২০১৯)

**বিশুদ্ধ সিদ্ধান্ত পঞ্জিকা অনুসৰি**

**তিথি-কৃত্য**

- স্বামী সুবোধানন্দ ২২ কাতি, শনিবাৰ, ৯ নৱেম্বৰ
- স্বামী বিজ্ঞানানন্দ, ২৪ কাতি, সোমবাৰ, ১১ নৱেম্বৰ
- স্বামী প্ৰেমানন্দ, ১৮ আঘোণ, বৃহস্পতিবাৰ, ৫ ডিচেম্বৰ
- শ্ৰীশ্ৰী মা সাৰদা দেৱী, ২ পুহ, বুধবাৰ, ১৮ ডিচেম্বৰ
- স্বামী শিৱানন্দ, ৬ পুহ, ৰবিবাৰ, ২২ ডিচেম্বৰ
- শ্ৰীযীচুখ্ৰীষ্ট, ৮ পুহ, মঙ্গলবাৰ, ২৪ ডিচেম্বৰ

**পূজা-কৃত্য ঃ**

শ্ৰীশ্ৰীদুৰ্গা পূজা, ১৮ আহিন, শনিবাৰ (৫ অক্টোবৰ)
শ্ৰীশ্ৰীলক্ষ্মী পূজা, ২৬ আহিন, ৰবিবাৰ (১৩ অক্টোবৰ)
শ্ৰীশ্ৰীকালী পূজা, ৯ কাতি, ৰবিবাৰ (২৭ অক্টোবৰ)

**একাদশী তিথি (ৰামনাম সংকীৰ্তন) ঃ**

২২ আহিন (৯ অক্টোবৰ)
৬, ২১ কাতি (২৪ অক্টোবৰ, ৮ নৱেম্বৰ)
৬, ২১ আঘোণ (২৩ নৱেম্বৰ, ৮ ডিচেম্বৰ)
৬ পুহ (২২ ডিচেম্বৰ)

আৰু ৰামানুজৰ বিশিষ্টাদ্বৈতবাদ প্ৰধানকৈ উল্লেখযোগ্য। আচলতে, বেদান্ত বুলিলে অদ্বৈত বেদান্তকেই বুজা যায়। শংকৰাচাৰ্য্যৰ বেদান্ত বুলিলে অদ্বৈত বেদান্তকেই বুজা যায়। শংকৰাচাৰ্য্য আৰু ৰামানুজ দুয়োগৰাকী অদ্বৈতবাদী। দুয়োগৰাকীয়ে ব্ৰহ্মক পৰম সত্তাৰূপে মানি লৈছে আৰু জীৱ-জগতৰ সুকীয়া অস্তিত্ব অস্বীকাৰ কৰিছে। কিন্তু দাৰ্শনিক দৃষ্টিকোণৰ ফালৰ পৰা দুয়োগৰাকীৰ মাজত সূক্ষ্ম পাৰ্থক্য আছে। প্ৰশ্ন হ'ল, ভাগৱত পুৰাণৰ অনুপ্ৰেৰণাত গঢ়ি উঠা শংকৰদেৱৰ বৈদান্তিক মত কোনটো পথৰ লগত মিলে, শংকৰাচাৰ্য্যৰ পূৰ্ণ অদ্বৈতবাদৰ লগত নে ৰামানুজাচাৰ্য্যৰ বিশিষ্টাদ্বৈতবাদৰ লগত? এই ক্ষেত্ৰত অদ্বৈতবাদ আৰু বিশিষ্টাদ্বৈতবাদৰ মাজৰ পাৰ্থক্য নিৰ্দ্ধাৰক প্ৰধান তত্ত্ব কেইটাৰ বিষয়ে থোৰতে জানি লোৱা দৰকাৰ। কাৰণ, অদ্বৈতবাদ আৰু বিশিষ্টাদ্বৈতবাদৰ যি কোনো এটা বা দুটা তত্ত্বৰ ওপৰত নিৰ্ভৰ কৰি শংকৰদেৱক অদ্বৈতবাদী অথবা বিশিষ্টাদ্বৈতবাদী বুলি কৈ দিব নোৱাৰি।



*গুৱাহাটী ৰামকৃষ্ণ মিছনত শ্ৰীমন্ত শঙ্কৰদেৱৰ তিথি উদ্‌যাপন*

অদ্বৈতবাদ জ্ঞানমাৰ্গৰ দৰ্শন। ইয়াত ভক্তিতকৈ জ্ঞানৰ স্থান উৰ্দ্ধত। শংকৰাচাৰ্য্যই সাধন অৱস্থাত ভক্তিৰ প্ৰয়োজনীয়তা অস্বীকাৰ নকৰিলেও চৰম সত্যৰ উপলব্ধিৰ ক্ষেত্ৰত জ্ঞানৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিছে। ইয়াৰ বিপৰীতে, বিশিষ্টাদ্বৈতবাদ ভক্তিমাৰ্গৰ দৰ্শন। ৰামানুজাচাৰ্য্যৰ দৰ্শনত জ্ঞানতকৈ ভক্তি শ্ৰেষ্ঠ। উপনিষদৰ নিচিনাকৈ ইয়াতো ভক্তিৰ অবিহনে তত্ত্বজ্ঞান লাভ সম্ভৱ নহয় বুলি ভবা হৈছে। (<u>দ্ৰঃ শ্বেতাশ্বতৰ উপনিষদ</u>)। অদ্বৈতবাদৰ মতে, জীৱ-জগত সকলো চিৎ ব্ৰহ্মৰেই প্ৰকাশ। কিন্তু বিশিষ্টাদ্বৈতবাদৰ মতে, ব্ৰহ্মাৰ দৰে চিৎ আৰু অচিৎ দুয়ো সত্য। জীৱ-জগত সকলো উভয়ৰে সমষ্টি। অৰ্থাৎ বিশিষ্টাদ্বৈতবাদে যি কোনো অস্তিত্বকে চিৎ আৰু অচিৎ এই দুয়োৰে সমাহাৰ বুলি গণ্য কৰে। আকৌ, অদ্বৈতবাদীসকলে ব্ৰহ্মক নিৰ্গুণ বুলি ধাৰণা কৰে। আনহাতে, বিশিষ্টাদ্বৈতবাদীয়ে সগুণ ব্ৰহ্মত বিশ্বাস কৰে। অৱশ্যে, পাহৰিব নালাগিব, শংকৰাচাৰ্য্যৰ নিৰ্গুণ ব্ৰহ্মৰ অৰ্থ গুণহীন ব্ৰহ্ম নহয়। তেওঁৰ মতে, ব্ৰহ্ম সচ্চিদানন্দ স্বৰূপ, গুণৰ সকলো সীমা অথবা বিচাৰৰ উৰ্দ্ধত।

অদ্বৈতবাদত বিৱৰ্তবাদক এটা প্ৰধান তত্ত্বৰূপে গণ্য কৰা হয়। বিৱৰ্তবাদৰ লগত বাস্তৱতা আৰু মায়াবাদৰ ধাৰণা সংযুক্ত। অদ্বৈতবাদীসকলে ভাবে, দৃশ্যমান জগতখন বাস্তৱ অথবা নিত্য নহয়। কাৰণ, ইয়াৰ সত্তা তিনিও কালতেই বাধাপ্ৰাপ্ত নোহোৱাকৈ নাথাকে। তেওঁলোকৰ ধাৰণাত কোনো কালেই বাধাপ্ৰাপ্ত নোহোৱা তত্ত্বহে একমাত্ৰ সত্য। গতিকে, ব্ৰহ্মৰ বাহিৰে আন সকলো অসত্য। ব্ৰহ্ম জগতৰূপে প্ৰকাশমান হ'লেও ব্ৰহ্মই জগত নহয়। কিন্তু মায়া

তত্ত্বসমূহ যে শংকৰদেৱে গ্ৰহণ কৰিছিল তাৰ প্ৰমাণ উল্লিখিত গ্ৰন্থসমূহৰ পৰাই পোৱা যায় শংকৰেদেৱেও বিশ্ব-ব্ৰহ্মাণ্ডৰ মাথোন এটা তত্ত্বকেই স্বীকাৰ কৰিছে, দ্বিতত্ব অস্বীকাৰ কৰিছে। শংকৰাচাৰ্য্যৰ দৰে শংকৰদেৱৰ ধাৰণাতো জগত অসত্য, ব্ৰহ্ময়েই একমাত্ৰ সত্য। সিমানেই নহয়, অদ্বৈতবাদৰ মায়াবাদ, বিৱৰ্তবাদ, জীৱ-মুক্তিৰ তত্ত্বই শংকৰদেৱৰ ৰচনাত বিশেষভাৱে ঠাই পাইছে—

"তুমি পৰমাত্মা জগতৰ ঈশ এক।
একো বস্তু নাহিকে তোমাক ব্যতিৰেক।।
তুমি কাৰ্য্য কাৰণ সমস্ত চৰাচৰ।
সুৱৰ্ণে কুণ্ডলে যে নুহিকৈ অন্তৰ।
তুমি পশু-পক্ষী সুৰাসুৰ তৰু-তৃণ।
অজ্ঞানত মূঢ়জনে দেখৈ ভিন্ন ভিন্ন।।
(কীৰ্ত্তন, পদ ৫২০)

তুমিসে কেৱলে সত্য মিছা সবে আন।
জানি জ্ঞানীগণে কৰৈ হৃদয়ত ধ্যান।।
(কীৰ্ত্তন, পদ ৫২১)

অসন্ত জগতখান তোমাত উদ্ভৱ ভৈল
সন্ত হেন প্ৰকাশৈ সদায়।
কৰ্ম্মজড় মনুষ্যৰ মন মগ্ন ভৈল তাতে
বেদৰ নুবুজৈ অভিপ্ৰায়।।
(কীৰ্ত্তন, পদ ১৬৬৯)

অদ্বৈতবাদৰ এই আটাইবোৰ তত্ত্ব 'ভক্তি ৰত্নাকৰ'ৰো অনেক পদতেই স্পষ্ট হৈ আছে। শংকৰদেৱৰ 'কীৰ্তন' প্ৰমুখ্যে যি কোনো সৃষ্টিকৰ্ম বিশ্লেষণ কৰি চালে সহজে বুজিব পৰা যায় যে তেওঁৰ ধৰ্ম দৰ্শন শংকৰাচাৰ্য্যৰ অদ্বৈতবাদৰ পৰা পৃথক নহয়। ধৰ্মৰ উপাসনা-পদ্ধতিত ধৰ্মগুৰু দুগৰাকীৰ মাজত অমিল নথকা নহয়। কিন্তু দাৰ্শনিক দৃষ্টিত তেওঁলোকৰ মাজত কোনোধৰণৰ বিৰোধ নাই।

আচল কথা, শংকৰদেৱে অদ্বৈতবাদৰ মূল তত্ত্বসমূহত আস্থা স্থাপন কৰি অদ্বৈতবাদৰ জ্ঞান মাৰ্গৰে সৈতে ভক্তিমাৰ্গৰ সংগত মিশ্ৰণ ঘটাইছিল। সাধাৰণ লোক যাতে ভক্তি-ধৰ্মৰ প্ৰতি বিমুখ নহয়, তাৰ বাবেই তেওঁ নিশ্চয় এই ব্যৱস্থা গ্ৰহণ কৰিছিল। সৰ্বসাধাৰণ লোকৰ গ্ৰহণযোগ্যতাৰ প্ৰতি লক্ষ্য ৰাখিয়েই তেওঁ অদ্বৈতবাদৰ সন্যাস মাৰ্গও মানি লোৱা নাছিল? শংকৰদেৱৰ আগতেও জ্ঞানমাৰ্গৰ লগত ভক্তিমাৰ্গৰ সমন্বয় সাধন হৈছিল। শ্ৰীধৰস্বামীৰ ভাষ্যই ইয়াৰ দৃষ্টান্ত। তেওঁৰ ভাগৱতৰ ব্যাখ্যাত দুয়োটাৰে সমন্বয় সাধন হোৱা কথা পণ্ডিত-সমাজৰ অবিদিত নহয়। আনকি, শংকৰাচাৰ্য্যয়ো যে ভক্তিৰ আৱশ্যকতা উপলব্ধি কৰা নাছিল, সেইটো নহয়। দাৰ্শনিক তত্ত্বৰ ক্ষেত্ৰত তেওঁ জ্ঞানমাৰ্গক প্ৰাধান্য দিলেও সাধন-ভজনৰ ক্ষেত্ৰত ভক্তিৰ গুৰুত্ব মানি লৈছিল (মোক্ষকাৰণসামগ্ৰ্যাং ভক্তিৰেব গৰীয়সী — বিবেকচূড়ামণি ৩১)। আনকি নিজেও বহুতো ভক্তিবৰ্ধক বিভিন্ন দেৱ-দেৱীৰ স্তৱ-স্তোত্ৰ আদি ৰচনা কৰিছিল।

**যিজনে তেওঁৰ শৰণাগত, যিজনে সকলো এৰি তেওঁৰ আশ্ৰয় লৈছে, যিজনে ভাল হ'ব বিচাৰে, তেওঁক যদি তেওঁ ৰক্ষা নকৰে সেয়া তো তেওঁৰেই (ঈশ্বৰৰ) মহাপাপ। তেওঁৰ ওপৰত নিৰ্ভৰ কৰি থাকিব লাগে। —শ্ৰীশ্ৰী মা সাৰদাদেৱী**

ক'লে যে তোমালোক দুজনে মোৰ ভৰিত 'মেচিনগান' বান্ধি দিয়া আৰু পাহাৰৰ পৰা তললৈ নামি গৈ ওপৰৱালা বিষয়াক ইয়াৰ পৰিস্থিতি বুজোৱা। তাৰ পিছত মেজৰৰ সৈতে ১১৪ জন জোৱান 'শ্বহীদ' হৈ গ'ল। তিনিমাহৰ পাছত বৰফ গলিব ধৰাত মেজৰ আৰু জোৱানসকলৰ পাৰ্থিৱ শৰীৰ পোৱা গ'ল। তেতিয়াও মেজৰ চেতন সিংহৰ ভৰিত 'মেচিনগান' বন্ধা আছিল আৰু আন জোৱানসকলৰ আঙুলি বন্দুকৰ ট্ৰিগাৰত আছিল। মেজৰ চেতন সিংহক মৰণোত্তৰভাবে ৰাষ্ট্ৰৰ আটাইতকৈ ডাঙৰ বীৰৰ পুৰস্কাৰ 'পৰমবীৰ চক্ৰ'ৰে সন্মানিত কৰা হয়। ১১৪ জন বীৰ শ্বহীদ হোৱা ৰেজাংগলা নামৰ ঠাইখনক 'অহীৰ ধাম' হিচাপে জনা যায়। দেশপ্ৰেমেৰে পূৰ্ণ এই বীৰসকলে আমাক উৎসাহ আৰু প্ৰেৰণা দিয়ে।

এনেকুৱা উৎসাহ —

যি সংকটৰ সময়তো কমি নাযায়। যি সুবিধাৰ অভাৱ হ'লেও কম নহয়। যি সহযোগৰ অভাৱতো কম নহয়। যি কষ্ট পালেও কম নহয়। যি মৃত্যুৰ ওচৰলৈ যাব লগা হ'লেও কম নহয়।

উৎসাহ! উৎসাহ! উৎসাহ! শেষ নিশাহলৈকে প্ৰয়াস কৰাৰ উৎসাহ। জীৱন সংগ্ৰামত বিজয়ী হ'বৰ বাবে উৎসাহৰ পৰম আৱশ্যকতা আছে। আহক ইয়াৰ কাৰণসমূহ বিচাৰি আমি কিছু চিন্তা কৰো।

**উৎসাহ, আৱেশ আৰু উৎসাহীনতা**

উৎসাহ হৈছে এনেকুৱা এটা মনোবৃত্তি যাৰ ফলস্বৰূপে মানুহে প্ৰসন্নতাৰে আৰু তৎপৰতাৰে কোনো এটা কাম কৰিবলৈ আগ্ৰহ অনুভৱ কৰে। উৎসাহ আৱেশ নহয়। উৎসাহ থাকিলে কোনো এটা কাম প্ৰসন্নভাবে কৰা হয় আৰু আৱেশত ক্ৰোধিত হৈ কৰা হয়। আৱেশত বিবেকৰ স্থান নাই বাবে ইয়াৰ দ্বাৰা কৰা কাম ক্ষতিকাৰক হয় আৰু উৎসাহিত বিবেক যোগ গৈ কোনো এটা কাম সৃজনশীল হৈ পৰে। উৎসাহবিহীন হোৱাকে উৎসাহীনতা বোলে। বেদত কোৱা হৈছে—

*অভাগঃ সন্নপ পৰেতো অস্মি তব ক্ৰত্বা*
*তবিষস্য প্ৰচেতঃ*
*তং ত্বা মন্যো অক্ৰতুৰ্জিহীড়াহং স্বা তনুৰ্বলদাৱা*
*ন এহী।'*

অৰ্থাৎ যাৰ ওচৰত উৎসাহৰ অভাৱ হয়, তেওঁ কাম কৰা শক্তি হেৰুৱাই পেলায়। সেইবাবে প্ৰত্যেক মানুহে নিজৰ অন্তৰত উৎসাহক ধাৰণ কৰি বলশালী হ'বলৈ চেষ্টা কৰিব লাগে।

যেতিয়া মানুহৰ মনত উৎসাহৰ অভাৱ হয়, তেতিয়া মানুহজন দুৰ্বল হৈ পৰে। দুৰ্বলতাৰ কাৰণে মানুহজনৰ কাম কৰাৰ ইচ্ছা আৰু শক্তি কমি আহে আৰু তেতিয়াই ব্যক্তিজন নিজৰ লক্ষ্যৰ পৰা আঁতৰি আহে। উৎসাহ আমাৰ কামৰ ইন্ধন। যিদৰে প্ৰাণহীন ব্যক্তি এজনক মৃত বুলি কোৱা হয়, সেইদৰে উৎসাহবিহীন লোকজনো মৃতপ্ৰায় হৈ পৰে। স্বামী বিবেকানন্দজীয়ে কৈছিল "জীৱনত যিসকল লোক হতাশাগ্ৰস্ত হৈ থাকে, তেওঁলোকৰ দ্বাৰা কোনো কাম সম্ভৱ নহয়। তেওঁলোকে গোটেই জীৱনটো 'হায় হায়' কৰি কটায় আৰু এসময়ত মৃত্যু হয়। বীৰলোকসকলেহে বসুন্ধৰাত ভোগ কৰিব পাৰে। এই কথাযাৰ একেবাৰে সত্য। সেইবাবে বীৰ হ'বলৈ চেষ্টা কৰা।"

**সংস্কাৰ**

জীৱনত এনেকুৱা বহুবাৰ হয় যে আমি লক্ষ্য স্থিৰ কৰো আৰু ভাল কাম কৰিবৰ বাবে ইচ্ছা কৰো, তাৰবাবে যথেষ্ট প্ৰয়াস কৰো কিন্তু কিছুদিন যোৱাৰ

নোৱাৰে। আমি যদি আমাৰ মনৰ ভিতৰত উৎসাহ জগাব বিচাৰো তেনেহ'লে আমি সকলোবোৰ কাম সজাগতাপূৰ্ণভাৱে কৰিব লাগিব। এই সন্দৰ্ভত স্বামী বিবেকানন্দজীয়ে এখন চিঠিত লিখিছিল— "এটা পুৰণা কাহিনী শুনা। এজন অকৰ্মণ্য ভিক্ষাৰীয়ে ৰাস্তাত গৈ থাকোতে এজন বৃদ্ধ লোকক তেওঁৰ ঘৰৰ সন্মুখত বহি থকা দেখা পাই গাওঁ এখনৰ নাম ক'লে আৰু সুধিলে গাওঁখন সেই ঠাইৰ পৰা কিমান দূৰ। বৃদ্ধজনে কোনো উত্তৰ নিদিলে। কেইবাবাৰো সোধাৰ পিছতো বৃদ্ধজনে একো উত্তৰ নিদিয়াত ভিক্ষাৰীজন গুচি যাবলৈ ধৰিলে। তেতিয়া বৃদ্ধজনে তেওঁক মাতি গাওঁখন ক'ত আছে বুজাই দিলে। তাকে দেখি ভিক্ষাৰীজনে প্ৰশ্ন কৰিলে ইমানবাৰ সুধোতেনো তেওঁ কিয় উত্তৰ দিয়া নাছিল। তেতিয়া বৃদ্ধজনে ক'লে, "প্ৰথম কেইবাৰ তুমি অমনোযোগিতাৰে প্ৰশ্নটো সুধিছিলা কিন্তু উত্তৰ নোপোৱাৰ পিছতো তুমি উৎসাহপূৰ্বক আগবাঢ়ি আছা, সেইবাবে এতিয়া তুমি উত্তৰ পোৱাৰ যোগ্যতা অৰ্জন কৰিছা।"

### স্বাস্থ্য

সুস্থ শৰীৰতহে সুস্থ মনে বাস কৰে। অসুস্থ শৰীৰত শাৰীৰিক আৰু মানসিক শক্তি দুয়োটাই কমি যায় আৰু কেতিয়াবা আনৰ ওপৰত নিৰ্ভৰ কৰিব লগা পৰিস্থিতিৰ সৃষ্টি হয়। এনেকুৱা সময়ত মনৰ ভিতৰত উৎসাহ অনুভৱ সম্ভৱ নহয়। সেইবাবে আমি নিজৰ স্বাস্থ্যৰ প্ৰতি সচেতন হ'ব লাগে যাতে স্বাস্থ্যৰ অভাৱত আমাৰ ভিতৰত উৎসাহ কম হৈ নাযায়।

### ইতিবাচক মনোভাৱ

উৎসাহ নিজেই এক ধনাত্মক অনুভৱ। ধনাত্মক মনোভাৱে উৎসাহ বঢ়োৱাত সহায় কৰে। সংকটৰ সময়ত ব্যক্তিসকলৰ উৎসাহ নোহোৱা হয় আৰু ফলত কাম ভালদৰে কৰিব নোৱাৰা হয়। তেতিয়াই ব্যক্তিজনে অসফল হৈ পৰে। কিন্তু এনে কিছুমান ব্যক্তি থাকে যিসকলে সংকটৰ সময়তো ধনাত্মক মনোভাৱেৰে কাম কৰে আৰু সংকটৰ পৰা পৰিত্ৰাণ পাব পাৰে। এনেদৰে এই ব্যক্তিসকল একোজন সফল ব্যক্তিত পৰিণত হয়। কেতিয়াবা এনেকুৱা হয় যে কিছুমান বিদ্যাৰ্থীয়ে পৰীক্ষা গৃহত প্ৰশ্ন কাকতখন দেখি একো নোৱাৰে বুলি ভাবি লয় আৰু নিজৰ ভাগ্যক দোষ দি একো নিলিখাকৈ গুচি আহে। কিন্তু কিছুমান এনেকুৱাও বিদ্যাৰ্থী আছে যিয়ে একেটা পৰিস্থিতিত পৰিলেও ভয় নাখায় আৰু যিখিনি জানে তাকে ভালকৈ লিখি পৰীক্ষাত উত্তীৰ্ণ হ'ব পাৰে।

### কামক নিজৰ বুলি ভাবিব লাগে

উৎসাহী হ'বৰ বাবে মানুহৰ মনত কৰ্ত্তব্যবোধ থাকিব লাগে। আমি যদি কামটো নিজৰ বুলি ভাবিব পাৰো, তেতিয়া কেতিয়াও আমাৰ মনত উৎসাহৰ অভাৱ নহয়। যিদৰে মাকে নিজৰ পৰিয়ালটোক আপোন বুলি ভাবে আৰু অনেক কষ্ট কৰি সকলোৰে সুখ, সুবিধালৈ চকু দিয়ে, সেইদৰে আপোনভাব থাকিলে সুখ-দুখ সকলো পৰিস্থিতিতে কাম কৰিবৰ বাবে উৎসাহ পোৱা যায়। সৈনিকসকলে নিজৰ দেশখনক আপোন বুলি ভাবে কাৰণে দেশৰ সুৰক্ষাৰ স্বাৰ্থত হাঁহিমুখে নিজৰ জীৱনো দি দিব পাৰে। যদি আমিও আমাৰ পৰিয়াল, সমাজ আৰু ৰাষ্ট্ৰৰ প্ৰতি কৰ্ত্তব্য তথা প্ৰত্যেকটো কামেই নিজৰ বুলি ভাবি কৰো তেতিয়া আমাৰ ভিতৰতো উৎসাহৰ অভাৱ নহ'ব।

### সৎসংগ

ৰবি নামৰ এজন মহাবিদ্যালয়ৰ ছাত্ৰই বানপানীৰ সময়ত তেওঁৰ বন্ধুসকলক বানপানীৰে

আমাৰ মনোবল বৃদ্ধি পাব। এই অভয় বাণী ক্ৰমশঃ গভীৰ হৈ আমাৰ হৃদয়ত, আমাৰ ভাৱনাত সোমাই পৰে আৰু সৰ্বশেষত আমাৰ শৰীৰৰ সকলো অংশত সোমাই পৰে। জ্ঞান সূৰ্য্যৰ কিৰণ যিমানেই উজ্বল হয়, মোহ সিমানেই আমাৰ পৰা দূৰ হৈ যায়। অজ্ঞানতা আঁতৰি যায় আৰু শেষত এনেকুৱা এটা সময় আহে যেতিয়া সকলো লোভ-মোহ আঁতৰি গৈ কেৱল জ্ঞান-সূৰ্য্যয়েই অৱশিষ্ট ৰৈ যায়।"[৫] "তুমি বিশ্বাস কৰানে যে অনন্ত মংগলময় বিধাতাই তোমাৰ ভিতৰত কাম কৰি আছে? যদি তুমি বিশ্বাস কৰা যে সৰ্বব্যাপী অন্তৰ্যামী অনু-পৰমাণু হৈ তোমাৰ শৰীৰ, মন আৰু আত্মাত জড়িত হৈ আছে, তেনেহ'লে তুমি কেতিয়াবা উৎসাহৰ পৰা বঞ্চিত হ'ব পাৰা নে?"[৬]

### উপসংহাৰ

আজি গোটেই জগত চিন্তাগ্ৰস্ত হৈ পৰিছে আৰু ইয়াৰ পৰা মুক্ত হ'বলৈ উৎসাহৰ আৱশ্যকতা আছে। ভাল মানুহৰ সংগ, উৎসাহিত হোৱা, ধনাত্মক চিন্তাধাৰা উৎসাহ দিবৰ বাবে সহায়ক হয়। কিন্তু ইয়াৰ লগত কৰ্মস্পৃহা আৰু জ্ঞানৰ বোধ থাকিলে উৎসাহ যিকোনো সীমা পাৰ কৰি যাব পাৰে। তেতিয়া সুখ-দুখ, জন্ম-মৃত্যু, মান-অপমান, সুবিধা-অসুবিধা ইত্যাদিৰ বাধা আঁতৰি যায়। কৰ্মবোধে ব্যক্তিগৰাকীক নিজৰ কামত মনোযোগ দিবলৈ উৎসাহ দিয়ে। সেই জ্ঞান লৈ এজন ব্যক্তিয়ে দেৱত্ব অৰ্থাৎ নিজৰ ভিতৰত লুকাই থকা অসীম শক্তিক অনুধাৱন কৰি উৎসাহিত হৈ পৰে।

স্বামীজীয়ে সকলোকে আহ্বান কৰি কৈছে — "উঠা, জাগৃত হোৱা, পৃথিৱীয়ে তোমাক বিচাৰি আছে। ভাৰতবৰ্ষৰ অন্য প্ৰান্তত বুদ্ধি আছে, ধনো আছে, কিন্তু আমাৰ ভিতৰত প্ৰয়োজন হোৱা অফুৰন্ত উৎসাহৰ উৎস কেৱল আমাৰ জন্মভূমিতহে আছে। ইয়াক আমি ব্যৱহাৰ কৰিবই লাগিব, গতিকে যুৱকসকল, নিজৰ ৰক্তত উৎসাহক ধাৰণ কৰা। এনেকৈ নাভাবিবা যে তুমি গৰীৱ হয়, এনেকৈ নাভাবিবা যে তোমাৰ কোনো বন্ধু নাই। তোমালোকে কেতিয়াবা দেখিছা নেকি যে টকা-পইচাই মানুহ তৈয়াৰ কৰিব পাৰে? নহয়, মানুহেহে টকা পইচা তৈয়াৰ কৰি থাকে। এই সম্পূৰ্ণ সংসাৰ মানুহৰ শক্তিৰে, মানুহৰ উৎসাহৰ শক্তিৰে, বিশ্বাসৰ শক্তিৰে তৈয়াৰ হৈছে।"[৭] "মহান তেজ, মহান বল তথা মহান উৎসাহৰ আৱশ্যকতা আছে।"[৮] তোমালোকে যিমান দূৰলৈকে কৰিব পাৰা, আন্দোলন আৰম্ভ কৰি দিয়া। কেৱল মিছাৰ আশ্ৰয় নল'বা। কামত লাগি যোৱা বাছাহঁত, উৎসাহৰ অগ্নি তোমালোকৰ মাজত নিজে নিজে জ্বলি উঠিব।"[৯]

*আকৰ্ষণীয় এই মূল হিন্দী ৰচনাটো অসমীয়ালৈ ভাষান্তৰ কৰিছে ললিত চন্দ্ৰ ভৰালী মহাবিদ্যালয়ৰ পদাৰ্থ বিজ্ঞানৰ অধ্যাপিকা* ***ড° মনীষা ফুকন****।*

**গ্ৰন্থসূচী ঃ**

১। অথৰ্ববেদ ৪/৩২/৫ ২। বিবেকানন্দ সাহিত্য ৬/৯৬ ৩। বিবেকানন্দ সাহিত্য ৩/৩৪৭

৪। Life of Swami Vivekananda by His Eastern and Western Disciples 2/397

৫। বিবেকানন্দ সাহিত্য ২/১৯০ ৬। বিবেকানন্দ সাহিত্য ৫/২৬৭ ৭। বিবেকানন্দ সাহিত্য ৫/২১২

৮। বিবেকানন্দ সাহিত্য ৪/৪০৯ ৯। বিবেকানন্দ সাহিত্য ২/৩৮১

যোগদান। কিন্তু বহু কঠোৰ দিনলিপিৰ মাজতো তেওঁ অৱসৰ সময় উলিয়াই লৈ নিতৌ কবিতা আৰু সঙ্গীত চৰ্চা কৰিছিল।

পৰৱৰ্তীকালত কুমিল্লাৰ এক মুছলিম পৰিয়ালত তেওঁৰ প্ৰথম বিবাহ হয় যদিও কেইদিনমানৰ ভিতৰতে বিবাহ-বিচ্ছেদ ঘটে। পিছত ১৯২৪ চনৰ ২৪ এপ্ৰিল তৰিখত গিৰিবালা সেনগুপ্তৰ কন্যা প্ৰমিলা সেনগুপ্তৰ লগত নজৰুলে পৰিণয় পাশত আৱদ্ধ হয় আৰু হুগলী জিলাত থাকিবলৈ লয়।



সেই সময়তে নজৰুল ইছলামৰ ক্ৰমবৰ্ধমান মেধা সম্পৰ্কে অৱগত হৈ বিখ্যাত সঙ্গীত কোম্পানী H.M.V. (His Masters Voice) Co. তেওঁক ট্ৰেনাৰ হিচাপত নিযুক্ত কৰে। লাহে লাহে তেওঁ কবি, গীতিকাৰ, সুৰকাৰ হিচাপে পৰিচিত হয় আৰু জীৱনত খ্যাতিৰ জয়যাত্ৰাৰ দিশত আগুৱাই যায়। কলকাতা বেতাৰ কেন্দ্ৰইও নজৰুলক গীতিকাৰ, সুৰকাৰ হিচাপে নিযুক্তি দিলে। লগতে চলি থাকিল ছায়াচিত্ৰ পৰিচালনা আৰু সঙ্গীত ৰচনা।

কিন্তু এই পাৰ্থিৱ সুখ কবি নজৰুলৰ জীৱনত বেছিদিনলৈ স্থায়িত্ব লাভ নকৰিলে। ১৯৩৫ চনৰ ১৫ জেঠ মাতৃ জাহেদা খাতুন আৰু ১৯৩৭ চনত প্ৰিয়পুত্ৰ বুলবুলৰ মৃত্যুৱে কবিক অতীব শোকাকুল কৰি তোলে। এই সুতীব্ৰ শোক উপশমৰ বাবে কবি নজৰুলে অধ্যাত্ম সাধনাত ব্ৰতী হ'ব ধৰিলে। সেই সময়তে তেওঁ গৃহী তান্ত্ৰিক বৰদাচৰণ মজুমদাৰৰ পৰা দীক্ষা গ্ৰহণ কৰে আৰু মাতৃ-সাধনাত নিমগ্ন হৈ যায়। নজৰুলৰ ৰচিত ভক্তিগীতিৰ মাজত বিশেষভাৱে উল্লেখ্য তেওঁৰ শ্যামাসঙ্গীতবোৰ। আপন মনৰ মাধুৰী মিহলাই তেওঁ ৰচনা কৰি থৈ গৈছে এটাৰ পিছত এটা মাতৃসঙ্গীত। সঙ্গীতৰ জৰিয়তে শক্তিতত্ত্বৰ আৰাধনাত, সাধক কমলাকান্ত আৰু ৰামপ্ৰসাদৰ পিছতেই যাৰ স্থান তেওঁ নিৰ্দ্বিধায় সাধক নজৰুল। 'সাধক' কোৱাৰ যুক্তিকতা ইয়াতেই যে তেওঁৰ ভাৱ চক্ষুৰ উন্মোচন নহ'লহেতেন তেনেহলে মৃন্ময়ী 'মা'ৰ চিন্ময়ী ৰূপৰ উপলব্ধিও নহ'লহেঁতেন। এই গূঢ় উপলব্ধিৰ পৰাই তেওঁ লিখিলে—

কালো মেয়েৰ পায়েৰ তলায়
দেখে যা আলোৰ নাচন....।

অৰ্থাৎ কলাবৰণ বালিকাৰ চৰণকমলত বিশ্বৰ ৰঙ্গমেলাৰ নৃত্য। মাতৃভাৱত বিহ্বল হৈ মা শ্যামাক তেওঁ সম্বোধন কৰিছে বিভিন্ন নামেৰে যেনে চিন্ময়ী মা, সচ্চিদানন্দময়ী মা, কুল-কুণ্ডলিনীৰূপী মা, দয়াময়ী মা ইত্যাদি আৰু সেই অনুভূতিৰ মাধুৰী ওলাই পৰিছে তেওঁৰ লেখনীত, কালী-কীৰ্তন কৰাৰ যোগেদি। তেওঁৰ প্ৰতিটো মাতৃ সংগীতত এটা দিশত আমি যেনে পাওঁ তেওঁৰ উপলব্ধিৰ গভীৰতাৰ পৰিচয় আন দিশত দেখিবলৈ পাওঁ আত্মসমৰ্পণৰ অভীপ্সা। 'শ্যামা মা'ৰ চৰণকমলত জবাফুলৰ বাহাৰ চাই উৎফুল্লিত সাধক কবি নজৰুলো মাৰ শ্ৰীচৰণ পোৱাৰ বাবে উদগ্ৰীৱ হৈ জবাফুলক প্ৰশ্ন সুধিলে—

"বলৰে জবা বল
কোন সাধনায় পেলি
শ্যামা মায়েৰ চৰণ তল।"

অৰ্থাৎ জবাফুল কিনো এনে সাধনা কৰিছে যাৰ ফলত শ্যামা মা'ৰ চৰণকমলত বিৰাজ কৰিবলৈ পাইছে।

সমাজ গঠন

# সামাজিক দৃষ্টিকোণ, পৰিৱৰ্তন আৰু অধ্যয়ন— এক আলোচনা

**ড° উৎপল শৰ্মা**
গ্ৰন্থাগাৰিক, গুৱাহাটী বাণিজ্য মহাবিদ্যালয়

বিশ্ব বিশ্ৰুত দাৰ্শনিক আৰু লেখক চিৰিল অডুইন মিটচিনচন জোডে তেওঁৰ "Spreading of knowledge" নামৰ প্ৰবন্ধ এটিত লিখিছে "Books are the chief carrier of civilization, because of them ideas live and spread". বিশ্বৰ ইতিহাসত একো একোটা জাতিৰ চানেকি গ্ৰন্থই বহন কৰি আনে। প্ৰগতিৰ পথত আগবাঢ়ি যোৱা জাতি একোটাৰ ধ্যান-ধাৰণা আৰু চিন্তা-ভাৱনাই উচ্চস্তৰলৈ গতি কৰে আৰু সেই অনুপাতে এক সংখ্যক



চিন্তাশীল, গৱেষক, বুদ্ধিজীৱী, লেখকে গ্ৰন্থ ৰচনাৰ যোগেদি সমগ্ৰ জাতিটোৰ মানসিক উৎকৰ্ষৰ চানেকি নথিভূক্ত কৰি ৰাখে। কিতাপ বা গ্ৰন্থ অবিহনে অতীতৰ কোনো বস্তুকে যুগমীয়া কৰি ৰখাটো অসম্ভৱ। সভ্যতাৰ পৰিবাহক কিতাপ বা গ্ৰন্থৰ সংৰক্ষণ কৰা সামাজিক মাধ্যম বা অনুষ্ঠানেই হ'ল গ্ৰন্থাগাৰ। বিভিন্ন লেখকৰ গ্ৰন্থসমূহ চিৰকাললৈ সংৰক্ষণ কৰি ব্যক্তি তথা জাতি একোটাৰ উপকাৰ সাধন কৰিবলৈ গ্ৰন্থাগাৰৰ আৱশ্যক হ'ল। গ্ৰন্থাগাৰ অবিহনে এই কাম কোনোপধ্যে সম্ভৱ নহ'লহেঁতেন। প্ৰতিটো যুগৰে ক্ষণজন্মা মহৎ লেখকসকলৰ জ্ঞান সংৰক্ষণ কৰি সৰ্বকালৰ জনগণক সেই জ্ঞানৰ আস্বাদ ল'বলৈ, বৰ্তমানৰ দাপোণত অতীতৰ প্ৰতিফলন কৰিবলৈ আৰু তদানুসৰি আলোচনা গৱেষণাৰ পথ মুকলি কৰিবলৈ গ্ৰন্থাগাৰে যিদৰে মহৎ উপকাৰ সাধন কৰিছে আন কোনো জাতীয় অনুষ্ঠানে তেনেদৰে কৰিব পৰা নাই বুলি ক'লেও অত্যুক্তি কৰা নহ'ব।

অতীত, বৰ্তমান আৰু ভৱিষ্যতৰ যোগসূত্ৰ স্থাপনৰ এক সামাজিক সংস্থা বা অনুষ্ঠানক গ্ৰন্থাগাৰ ক'ব পাৰি। সমাজ এখনৰ বিকাশৰ তথ্য তথা সঞ্চিত জ্ঞান সম্পদ (Knowledge Resources) ৰ সতে সমতা বজাই ৰখাৰ বাবে গ্ৰন্থাগাৰ সদায় এক সামাজিক সংস্থাৰ ভূমিকাত অৱতীৰ্ণ হৈ আহিছে।

হিচাপে লৈ তেখেতসকলৰ কলমত নিৰ্গত হোৱা লেখাবোৰে সমাজ পৰিৱৰ্তনৰ মাত্ৰাটোক প্ৰতিফলিত কৰে। প্ৰগতিশীল বা ৰসোত্তীৰ্ণ সাহিত্যিৰ দ্বাৰা সমসাময়িক সমাজৰ পৰিৱৰ্তনৰ মাত্ৰা নিৰ্ণয় কৰি ল'ব পাৰি।

গ্ৰন্থ অধ্যয়ন আমাৰ বাবে প্ৰেৰণা, আনন্দ, কৰ্তব্য, বাধ্যবাধকতা বা এটা নিচা হৈ পৰিব পাৰে। পাঠকে বসবাস কৰা সমাজৰ ওপৰতে এনেধৰণৰ ভাৱাবেগমূলক প্ৰতিক্ৰিয়া নিৰ্ভৰশীল। কোনো এখন সমাজৰ জটিলতা বৃদ্ধি পালেই গ্ৰন্থ অধ্যয়নৰ অধিক কৰ্তব্যস্বৰূপ হৈ পৰে। যদিহে সমাজে শক্তিসমৃদ্ধি লাভৰ বাবে চেষ্টা কৰে তেন্তে জ্ঞান অৰ্জন সম্পূৰ্ণ, দেশপ্ৰেমমূলক দায়িত্বলৈ উত্তৰণ ঘটিব পাৰে যি ক্ষেত্ৰত সামাজিক পৰিৱৰ্তনৰ মাত্ৰা আটাইতকৈ অধিক মাত্ৰাত সাধিত হয়, গ্ৰন্থ ৰচনাত তাৰ অভিব্যক্তি প্ৰকাশ পায়। সমাজৰ সংঘাতৰ মাত্ৰা অতিশয় বৃদ্ধি পালে পৰিপূৰক, পৰিত্ৰাণ আৰু প্ৰতিকাৰমূলক গ্ৰন্থ অধ্যয়নৰ মাত্ৰাও বৃদ্ধি পাই গৈ থাকে। এনেকৈয়ে পৰিৱৰ্তনৰ স্বৰূপ আৰু পৰিৱৰ্তনৰ মাত্ৰাৰ মাজত সক্ৰিয় ধৰণৰ এটা পাৰস্পৰিক সম্পৰ্ক স্থাপিত হয়।জ্ঞানলব্ধ পৰীক্ষা-নিৰীক্ষাৰ দ্বাৰা অৰ্জিত অভিজ্ঞতাবোৰ গ্ৰন্থৰ জৰিয়তে লিপিবদ্ধ কৰি থৈ যায়। এই লিপিবদ্ধ জ্ঞানৰ মাজতেই লুকাই আছে সমাজ পৰিৱৰ্তন বা বিৱৰ্তনৰ গতিধাৰা। সমাজ এখনৰ প্ৰকৃত ছবিখনো সমসাময়িক জ্ঞানৰ লিপিবদ্ধ গ্ৰন্থ বা আলোচনীৰ দ্বাৰাই জনমানসত স্পষ্ট হৈ পৰে। জ্ঞানৰ কোনো সীমাৰেখা নথকা প্ৰক্ৰিয়া এটাত যেতিয়াই নথকা প্ৰক্ৰিয়া এটাত যেতিয়াই মানৰ মনে নতুন ধাৰণা এটা বা চিন্তা-চৰ্চাৰ স'তে যোগসূত্ৰ স্থাপন কৰে তেতিয়াই জ্ঞানৰ সংযোগ ঘটে আৰু ইয়াৰ পৰিসৰ আগবাঢ়ি যায়। কোৱা হয় যে “The nation who reads, they leads" যে - যিটো জাতিয়ে পঢ়া-শুনা কৰে সেই জাতিটোৱে নেতৃত্ব দিব পাৰে।

গ্ৰাহক মূল্য নগদ ধন (Cash), চেক (Cheque) বা ড্ৰাফট্ (Draft) যোগে পঠিয়াব পাৰিব। চেক বা ড্ৰাফট্ Ramakrishna Mission Ashrama (Vivek Bhaskar) এই নামেৰে লিখা হ'ব লাগিব।

পোনে পোনে বেংক ট্ৰান্সফাৰৰ কাৰণে -

**A/c Name : RAMAKRISHNA MISSION ASHRAMA (VIVEK BHASKAR)**
**SBI A/c No. 37859839659, Vinobha Nagar Branch,**
**IFSC Code : SBIN0009150**

সকলো ধৰণৰ মূল্যৰ বাবদ প্ৰাপ্তি ৰচীদ আদায় দিয়া হ'ব।

**Online** ত গ্ৰাহকভুক্তিৰ বাবে লগ অন কৰক - www.rkmguwahati.org

সবিশেষ জানিবৰ বাবে যোগাযোগ কৰক

**ব্ৰহ্মচাৰী কৰুণাচৈতন্য, কাৰ্যালয় সম্পাদক, বিবেক ভাস্কৰ পত্ৰিকা, দূৰভাষ ঃ ৮৯১০৩-৪৬২৬৮**

*বিবেক ভাস্কৰলৈ দিয়া সকলো দান-বৰঙণি আয়কৰ বিভাগৰ ইউ/এছ ৮০ জি ১৯৬১ আয়কৰ ধাৰা মতে আয়কৰ মুক্ত*

আমেৰিকা হ'ল যৱনসকলৰ উন্নত মুখ উজ্বলোৱা সন্তান, আধুনিক ভাৰতবাসী আৰ্যকুলৰ গৌৰৱ নহয়। কিন্তু এই ছাঁইয়ে ঢাকি থোৱা জুইৰ নিচিনা আধুনিক ভাৰতবাসীতো অন্তৰ্নিহিত পৈতৃক শক্তি বিৰাজমান। যথাসময়ত মহাশক্তিৰ কৃপাত সেয়া পুনৰায় স্ফুৰিত হ'ব। (বাণী আৰু ৰচনা ৬/৩১)

ব্যক্তি মানুহৰ ক্ষেত্ৰত যেনেকুৱা, প্ৰত্যেক জাতিৰো তেনেকুৱা জীৱনৰ একোটা বিশেষ উদ্দেশ্যে থাকে। এয়াই তেওঁৰ জীৱনৰ কেন্দ্ৰস্বৰূপ। সেয়াই যেন তেওঁৰ জীৱন-সঙ্গীতৰ প্ৰধান সুৰ, অইন সকলো সুৰ যেন এই প্ৰধান সুৰৰ লগত সঙ্গত হৈ ঐক্যতান সৃষ্টি কৰি আছে। কোনো দেশৰ— যেনে ইংলেণ্ডৰ জীৱনী শক্তি হ'ল ৰাজনৈতিক অধিকাৰ; কলাবিদ্যাৰ উন্নতিয়েই হয়তো আন কোনো জাতিৰ জীৱনৰ মূল লক্ষ্য। ভাৰতৰ কিন্তু ধৰ্মই হ'ল জাতীয় জীৱনৰ কেন্দ্ৰ স্বৰূপ, এয়াই যেন জাতীয় জীৱন-সঙ্গীতৰ প্ৰধান সুৰ আৰু যদি কোনো জাতিয়ে তাৰ এই স্বাভাৱিক জীৱনীশক্তি— হেজাৰ হেজাৰ বছৰ ধৰি যিফালে তাৰ বিশেষ যাত্ৰা চলি আছে, সেইটো পৰিত্যাগ কৰিবলৈ চেষ্টা কৰে আৰু যদি সেই চেষ্টাত কৃতকাৰ্য্য হয়, তেনেহ'লে তেওঁৰ মৃত্যু নিশ্চিত। ... এই জগতত প্ৰত্যেক মানুহে নিজৰ নিজৰ ৰাস্তা বাছি লয়, ঠিক তেনেকৈ প্ৰত্যেক জাতিয়েও। আমি শ শ যুগ আগৰ পৰাই নিজৰ ৰাস্তা বাছি লৈছোঁহক, এতিয়া আমাৰ সেই অনুসৰিয়ে চলিবই লাগিব।

(ঐ ৫/১০৯)

ৰাজনৈতিক অথবা সামৰিক শ্ৰেষ্ঠতা কাহানিও আমাৰ জাতীয় জীৱনৰ উদ্দেশ্য নহয়— কেতিয়াও নাছিলে আৰু জানি থওঁক, কেতিয়াও নহ'ব।

(ঐ ৫/৭)

এইটো ভালকৈ মনত ৰাখিবা— তোমালোকে যদি ধৰ্ম এৰি পাশ্চাত্য জাতিৰ জড়বাদে ভৰা সভ্যতাৰ পিনে ধাৱিত হোৱা, তিনি পুৰুষ যাওঁতে নেযাওঁতেই তোমালোক বিনষ্ট হৈ যাবা। (ঐ ৫/৪৬)

আমাক আমাৰ প্ৰকৃতি অনুযায়ী উন্নতিৰ চেষ্টা কৰি যাব লাগিব। বিদেশী সংস্থাবিলাকে জোৰ কৰি আমাক যিভাবে পৰিচালিত কৰিবৰ চেষ্টা কৰিছে, তেনেভাৱে কাম কৰাৰ চেষ্টা বৃথা; সেয়া অসম্ভৱ।

(ঐ ৫/১০৯)

যেতিয়ালৈকে হিন্দু জাতি একেবাৰে লোপ হৈ নাযায় আৰু এটা নতুন জাতিয়ে সেই স্থান অধিকাৰ নকৰে, তেতিয়ালৈকে পূৱ-পশ্চিমে যিমানেই চেষ্টা নকৰক কিয়, জীৱিত থকালৈকে ভাৰত কেতিয়াও ইউৰোপ হৈ যাব নোৱাৰে। (ঐ ৫/৪৬১)

মই বিশ্বাস নকৰো যে, হিন্দু কেতিয়াবা নাস্তিক হৈ যাব পাৰে। পশ্চিমীয়া গ্ৰন্থবিলাক পঢ়ি তেওঁ ভাবিব পাৰে যে তেওঁ জড়বাদী হৈ গৈছে। কিন্তু সেয়া দুদিনৰ বাবে, এই ভাব তোমাৰ মজ্জাগত নহয়; যিটো তোমালোকৰ স্বভাৱত নাই, সেইটো তোমালোকে কেতিয়াও বিশ্বাস কৰিব নোৱাৰা, সেইটো তোমালোকৰ পক্ষে অসম্ভৱ চেষ্টা।

(ঐ ৫/২০৩)

হিন্দুসকলে ধৰ্মৰ ভাৱতে আহাৰাদি কৰে, ধৰ্মৰ ভাৱেৰেই শোৱে, ধৰ্মৰ ভাৱেৰেই ফুৰা-চকা কৰে, ধৰ্মৰ ভাৱেৰেই বিবাহ কৰে, (আনকি) দস্যুবৃত্তিও ধৰ্মৰ ভাৱেৰেই কৰে। ... প্ৰত্যেক জাতিৰেই এই পৃথিৱীত এটি উদ্দেশ্য আৰু আদৰ্শ থাকে। কিন্তু যি মুহূৰ্তত সেই আদৰ্শ ধ্বংস হয়, লগে লগে সেই জাতিৰো মৃত্যু হয়। যেতিয়ালৈকে ভাৰতবৰ্ষই মৃত্যুক পণ কৰিও ভগৱানক ধৰি থাকিব, তেতিয়ালৈকে

প্ৰাণত আশা নাই; আছে প্ৰবল ঈৰ্ষা, স্বজাতিৰ প্ৰতি দ্বেষ, আছে দুৰ্বলৰ 'যেন তেন প্ৰকাৰেণ' সৰ্বনাশ সাধনাৰ একান্ত ইচ্ছা আৰু বলৱানক কুকুৰৰ নিচিনা ভৰি চেলেকা। এতিয়া ঐশ্বৰ্য প্ৰদৰ্শনত তৃপ্তি, স্বাৰ্থ সাধন কৰিবলৈ ভক্তি, অনিত্য বস্তু সংগ্ৰহৰ বাবে জ্ঞান, পৈশাচিক নিয়মত যোগ, অইনৰ দাসত্বত কৰ্ম, বিজাতীয় অনুকৰণেৰে সভ্যতা, কটু-ভাষণত বাগ্মিতা, ধনীসকলক তোষামোদ কৰিবৰ বাবে অথবা জঘন্য অশ্লীলতা বিকিৰণ কৰিবলৈ— ভাষাৰ উৎকৰ্ষ সাধন কৰা। (ঐ ৬/২৪৫)

আমি দুখীয়া লোকসকলক, সাধাৰণ মানুহবোৰক, পতিতসকলক লৈ কি ভাবি থাকোঁ! এয়া যে, তেওঁলোকৰ কোনো উপায় নাই, পলাবলৈ কোনো ৰাস্তা নাই, উঠিবৰ কোনো উপায় নাই। ভাৰতৰ দৰিদ্ৰ, পতিত আৰু পাপীবোৰৰ বাবে সহযোগিতা কৰোঁতা কোনো বন্ধু নাই। তেওঁ যিমানেই চেষ্টা কৰক, তেওঁৰ উঠিবৰ কোনো উপায় নাই। তেওঁলোকে দিনে দিনে বুৰি গৈ আছে। তেওঁলোকৰ ওপৰত ৰাক্ষসৰ দৰে নৃশংস এই সমাজে বাৰে বাৰে যি আঘাত হানিছে, তেওঁলোকে সেই বেদনা খুব ভালদৰে অনুভৱ কৰিছে, কিন্তু তেওঁলোকে নেজানে ক'ৰ পৰা সেই আঘাত আহি আছে। তেওঁলোকো যে মানুহ, কথাটো তেওঁলোকে পাহৰি গৈছে। ইয়াৰ ফল হ'ল— দাসত্ব আৰু পশুত্ব।

(ঐ ৬/৩৬৩)




এই ভাৰতত কিছুমান বিপদ আমাৰ সমুখতে আছে; তাৰ ভিতৰত এপিনে তীব্ৰ জড়বাদ, আনপিনে জড়বাদৰ প্ৰতিক্ৰিয়া স্বৰূপ ঘোৰ কু-সংস্কাৰ— দুয়োটাকেই বাদ দি চলিব লাগিব। এপিনে পশ্চিমীয়া বিদ্যাৰ সুৰাপাণত মত্ত হৈ আজি-কালি কিছুমান মানুহে ভাৱে, তেওঁলোকে সব জানে, তেওঁলোকে প্ৰাচীন ঋষিসকলৰ কথাক ইতিকিং কৰে। তেওঁলোকৰ ওচৰত হিন্দু জাতিৰ সকলো চিন্তা কেৱলমাত্ৰ কিছুমান আবৰ্জনাৰ স্তূপ, হিন্দু দৰ্শন অকল শিশুৰ আধা আধা কথা আৰু হিন্দু ধৰ্ম নিৰ্বোধৰ কু-সংস্কাৰ যেন! অইনপিনে আৰু কিছুমান শিক্ষিত ব্যক্তি আছে, কিন্তু তেওঁলোকৰ কিছুমান পাগলামি আছে, তেওঁলোক ইয়াৰ সম্পূৰ্ণ ওলোটা। তেওঁলোকে সকলো ঘটনাকেই এটা শুভ অথবা অশুভ লক্ষণ হিচাপে দেখে। ... তেওঁ যি জাতিৰ অন্তৰ্ভুক্ত, তেওঁৰ বিশেষ জাতীয় দেৱতাৰ অথবা তেওঁৰ গাঁৱৰ যি কু-সংস্কাৰ আছে, তাৰ দাৰ্শনিক, আধ্যাত্মিক আৰু সকলো প্ৰকাৰে শিশুৰ নিচিনা ব্যাখ্যা কৰিবলৈ তেওঁ প্ৰস্তুত। তেওঁৰ ওচৰত প্ৰত্যেকটো গাঁৱলীয়া কু-সংস্কাৰেই বেদৰ বাণীৰ নিচিনা আৰু তেওঁৰ মতে সেইবিলাক প্ৰতিপালন কৰাৰ ওপৰতেই জাতীয় জীৱন নিৰ্ভৰশীল। এই বোৰৰ পৰা তোমালোক সাৱধান হ'ব লাগিব।

(ঐ ৫/১৭৩)

ইপিনে নতুন ভাৰতে কৈছে যে পশ্চিমীয়া ভাৱ, ভাষা, আহাৰ, পোছাক-পৰিচ্ছদ আৰু ব্যৱহাৰ গ্ৰহণ কৰিলেই আমি পশ্চিমীয়া জাতিবোৰৰ দৰে বল, বীৰ্যৰে সম্পূৰ্ণ হৈ উঠিম; আনপিনে পুৰণি ভাৰতে কৈছে যে — মূৰ্খ! অনুকৰণ কৰিলেই পৰৰ ভাৱ নিজৰ হ'ব নোৱাৰে। অৰ্জন

কিন্তু অলপ মাত্ৰ ৰাতি অতিবাহিত হোৱা বৰ্তমান গভীৰ বিষাদৰ নিশাৰ নিচিনাকৈ কোনো অমাৱস্যায়েই এই পুণ্যভূমিক আৱৰি ধৰা নাছিল। এই পতনৰ গভীৰতালৈ চালে দেখা যায় পুৰণি পতনবোৰ গোষ্পদৰ নিচিনা আৰু সেইবাবেই এইবাৰৰ বোধজ্ঞানৰ উজ্জলতাৰ নিৰিখত অইন সকলো পুনৰজাগৰণ সূৰ্যালোকৰ সন্মুখত নক্ষত্ৰসমূহৰ দৰে। এই পুনৰ উত্থানৰ মহাবীৰ্যৰ সন্মুখত বাৰে বাৰে লাভ কৰা পুৰণিকালৰ বীৰ্য প্ৰায় ল'ৰালিৰ লীলাৰ দৰে হৈ যাব। (ঐ ৬/৫)

আমি আটাইয়েই ভাৰতৰ অধঃপতনৰ কথা শুনি থাকোঁ। মইও এসময়ত এয়া বিশ্বাস কৰিছিলোঁ। কিন্তু আজি মই অভিজ্ঞতাৰ দৃঢ়ভূমিত থিয় হৈ, সংস্কাৰমুক্ত দৃষ্টি লৈ আৰু সৰ্বোপৰি দেশৰ সংস্পৰ্শলৈ আহি তেওঁলোকৰ অতিৰঞ্জিত চিত্ৰবিলাকৰ বাস্তৱৰূপ দেখি মই স্বীকাৰ কৰিছোঁ যে মোৰ ভুল হৈছিল। হে মোৰ পৱিত্ৰ আৰ্যভূমি, তোমাৰতো কেতিয়াও অবনতি হোৱা নাই। কিমান ৰাজদণ্ড চূৰ্ণ হৈ দূৰলৈ নিক্ষিপ্ত হৈছে, কিমান শক্তিৰ দণ্ড এক হাতৰ পৰা অন্য হাতলৈ গৈছে কিন্তু ভাৰতবৰ্ষত ৰজা, ৰাজসভাই খুব অলপ সংখ্যক লোককহে প্ৰভাৱিত কৰিছে। উচ্চতমৰ পৰা নিম্নতম শ্ৰেণী পৰ্যন্ত বিশাল জনসমষ্টিয়ে নিজৰ অনিবাৰ্য গতিপথেৰেই দৌৰি আগবাঢ়িছে, জাতীয় জীৱনৰ সোঁত কেতিয়াবা মৃদু অৰ্ধচেতন ভাবে, কেতিয়াবা প্ৰবল জাগ্ৰতভাৱে বৈয়ে আছে। শত হেজাৰ বছৰৰ সমুজ্জ্বল শোভা যাত্ৰাৰ সমুখত মই আচৰিত হৈ থিয় দি আছোঁ। সেই শোভাযাত্ৰাৰ কোনো কোনো অংশত পোহৰ প্ৰায় স্তিমিত, অলপ পিছতেই দ্বিগুণ পোহৰেৰে আলোকিত আৰু ইয়াৰ মাজতে আমাৰ দেশমাতৃয়ে ৰাণীৰ দৰে পদচাৰণত পশুমানৱক দেৱমানৱলৈ ৰূপান্তৰিত কৰিবৰ বাবে মহিমাময় ভৱিষ্যতৰ পিনে আগুৱাই গৈ আছে; স্বৰ্গ বা মৰ্ত্যৰ কোনো শক্তিৰেই সামৰ্থ নাই যে এই জয় যাত্ৰাৰ গতিৰোধ কৰে।

হে ভাইসকল, ভৱিষ্যত সচাঁই মহিমাময়। পুৰণি উপনিষদৰ যুগৰ পৰাই আমি পৃথিৱীৰ সমুখত স্পৰ্ধাকে এই আদৰ্শই প্ৰচাৰ কৰিছোঁ যে— 'ন প্ৰজয়া ন ধনেন ত্যাগেনৈকে অমৃতত্বমানশুঃ' — সন্তান বা ধনৰ দ্বাৰা নহয়, ত্যাগৰ দ্বাৰাইহে অমৃতত্ব লাভ কৰিব পৰা যায়। জাতিৰ পিছত জাতি এই প্ৰতিযোগিতাৰ সন্মুখীন হৈছে আৰু বাসনাৰ জগতত বাস কৰি জগৎ-ৰহস্য সমাধানৰ আপ্ৰাণ চেষ্টা কৰিছে। তেওঁলোক সকলোৱেই ব্যৰ্থ হৈছে। প্ৰাচীন জাতিবোৰে ক্ষমতা আৰু অৰ্থৰ প্ৰতি লোভৰ ফলত সৃষ্ট অসাধুতা আৰু দুৰ্দশাৰ চাপত বিলুপ্ত হৈ গৈছে— নতুন জাতিবোৰো পতনৰ সন্মুখত। শান্তি অথবা যুদ্ধ, সহনশীলতা অথবা অসহিষ্ণুতা, সততা অথবা শঠতা, বুদ্ধিবল অথবা বাহুবল, আধ্যাত্মিকতা অথবা ঐহিকতা— এই বিলাকৰ ভিতৰত কোনটোৰ বিজয় হ'ব, সেই প্ৰশ্নৰ মীমাংসা এতিয়াও বাকী আছে।

বহুতদিন আগতেই আমি এই সমস্যাৰ সমাধান কৰিছোঁ, সৌভাগ্য বা দুৰ্ভাগ্যৰ মাজেৰে সেই সমাধান অৱলম্বন কৰিয়েই চলি আছো আৰু শেষ পৰ্যন্ত এয়াই ধৰি ৰাখিব বিচাৰিছোঁ। আমাৰ সমাধান হ'ল— ত্যাগ, অপাৰ্থিৱতা।

গোটেই মানৱ জাতিৰ আধ্যাত্মিক ৰূপান্তৰ— ইয়েই ভাৰতীয় জীৱন সাধনাৰ মূল মন্ত্ৰ, ভাৰতৰ চিৰন্তন সঙ্গীতৰ মূল সুৰ, ভাৰতীয় সত্তাৰ মেৰুদণ্ড-স্বৰূপ, ভাৰতীয়তাৰ ভিত্তি, ভাৰতৰ সৰ্বপ্ৰধান প্ৰেৰণা

**ধাৰাবাহিক ৰচনা**

# উপমা শ্ৰীৰামকৃষ্ণস্য


**মন্মথ ডেকা**

উপ-সভাপতি, গুৱাহাটী ৰামকৃষ্ণ মিছন আশ্ৰম পৰিচালনা সমিতি, ফোন ঃ ৯৮৬৪০-৭৬৪৪৭


**ছাগলীৰ পালত বাঘ** ঃ গুৰুৰ কৃপাত মুক্তি আৰু স্বৰূপ দৰ্শন হয়, এই সম্বন্ধে ঠাকুৰ শ্ৰীৰামকৃষ্ণদেৱে ভক্তসকলক অভয় দান দি মাষ্টৰক কৈছে, "কোনো কোনো মানুহে ভাৱে, 'মোৰ বোধহয় জ্ঞান ভক্তি নহ'ব, মই বোধকৰো বদ্ধ জীৱ।' গুৰুৰ কৃপা হ'লে একো ভয় নাই। এটা গল্প কওঁ শুনা। এটা ছাগলীৰ পাললৈ এটা বাঘ আহিছিল। সেইটো বাঘিনী আছিল, গাভিনী। ছাগলী ধৰিবলৈ জাঁপ মাৰোতে পোৱালি এটা প্ৰসৱ কৰি তাই মৰি গ'ল। বাঘৰ পোৱালিটো ছাগলীবোৰৰ লগত ডাঙৰ হ'বলৈ ধৰিলে। ছাগলীবোৰে ঘাঁহ খায়, বাঘৰ পোৱালিও ঘাঁহ খায়। এদিনাখন ছাগলীৰ পালটোত এটা ডাঙৰ বাঘে আক্ৰমণ কৰিলে। সি সেই ঘাঁহ খোৱা বাঘটো দেখি অবাক হ'ল। তেতিয়া সি দৌৰি আহি তাক ধৰিলে তাৰো ছাগলীৰ নিচিনা বেবনি। তাক টনা-আঁজোৰা কৰি পানী জুৰলিলৈ লৈ গ'ল আৰু ক'লে, 'দেখ, পানীত তোৰ মুখ দেখ, ঠিক মোৰ নিচিনা আৰু এই খোৱা অলপ মাংস'— এইদৰে কৈ তাক জোৰ-জুলুম কৰি মাংস খুৱাবলৈ ধৰিলে। সি কোনোপধ্যে নাখায় আৰু বেবনি। পিছত তেজৰ সোৱাদ পাই খাবলৈ আৰম্ভ কৰিলে। নতুন বাঘটোৱে তাক ক'লে, এতিয়া বুজি পাইছ, মই যি তয়ো সেই। এতিয়া মোৰ লগত বল, বনলৈ গুচি যাওঁ'।" সেয়ে গুৰুৰ কৃপা হ'লে, কোনো চিন্তা নাই। তেওঁ বুজাই দিব তুমি কোন, তোমাৰ স্বৰূপ কি। অলপ সাধনা কৰিলেই গুৰুৱে বুজাই দিয়ে, এয়া এয়া। তেতিয়া সি নিজেই বুজিব পাৰিব, কোনটো সৎ, কোনটো বা অসৎ। ঈশ্বৰেই সত্য, এই সংসাৰ অনিত্য।

ঘাঁহ খোৱা মানে, কামিনী কাঞ্চন লৈ থকা; ছাগলীৰ নিচিনা বেবনি আৰু পলোৱা মানে, সামান্য প্ৰাণীৰ নিচিনা আচৰণ কৰা; বাঘৰ সৈতে গুচি যোৱা মানে, গুৰু যিজনাই চৈতন্য কৰালে তেওঁৰ শৰণাগত হোৱা আৰু তেওঁকেই পৰমাত্মীয় বুলি বুজি পোৱা; নিজৰ ঠিক মুখ দেখা মানে স্ব-স্বৰূপ চিনি পোৱা।

**বেজীৰ বিন্ধাৰে উট-হাতী প্ৰৱেশ কৰোৱা** ঃ ঈশ্বৰৰ পক্ষে সকলো সম্ভৱ (Miracles) বিষয়ত ঠাকুৰ শ্ৰীৰামকৃষ্ণদেৱে কৈছে, "ঈশ্বৰৰ কাৰণে একো অসম্ভৱ নহয়, তেওঁৰ স্বৰূপ কোনোৱে মুখেৰে ক'ব নোৱাৰে। সকলো সম্ভৱ। এটা গল্প শুনা। দুজন যোগী আছিল। ঈশ্বৰৰ সাধনা কৰিছিল। তেওঁলোকৰ ওচৰেৰে নাৰদ ঋষি গৈ আছিল। এজনে পৰিচয় জানি তেওঁক সুধিলে, 'তুমি নাৰায়ণৰ ওচৰৰ পৰা আহি আছা, তেওঁনো কি কৰি আছে?' নাৰদে ক'লে, দেখি আহিলো তেওঁ বেজীৰ বিন্ধাৰে উট-হাতী প্ৰৱেশ কৰাই আছে আৰু বাহিৰ কৰি আছে। সেইজনে ক'লে, তেওঁৰনো আশ্চৰ্য কি আছে। তেওঁৰ পক্ষে সকলো সম্ভৱ— তেওঁ সকলো কৰিব পাৰে। কিন্তু আনজনে ক'লে, সেইটো জানো সম্ভৱ হ'ব পাৰে? তুমি সেইপিনে কেতিয়াও যোৱা নাই, তাৰৈ যোৱাই নাই'।"

# কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা

**কবিতা বোস**

অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী, ৰঙাপাৰা উচ্চ মাধ্যমিক বিদ্যালয়, ফোন ঃ ৯৪৩৫২২১৩০৪

আমাৰ অসমতে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আদৰ্শক সাৱোগত কৰি, যিজন মহান কিংবদন্তি নায়কে অসমীয়া জাতিৰ সংহতি আৰু সমন্বয় ৰক্ষাৰ পথ দেখুৱাই থৈ গৈছিল, তেওঁৱেঁই আমাৰ বুকুৰ কুটুম, হিয়াৰ আমঠু, অসামান্য প্ৰতিভাৰ অধিকাৰী — বিষ্ণু প্ৰসাদ ৰাভাদেৱ।



এইজন বজ্ৰকণ্ঠী চিৰবিদ্ৰোহী বিপ্লৱী ৰাভাদেৱে দীন-দৰিদ্ৰ তথা সৰ্বহাৰাসকলক শোষণ কৰা, ধনী মহাজনসকলৰ শোষণকাৰী চৰিত্ৰক সাৱধান বাণী শুনাই ঘোষণা কৰিছিল "শেষ যুদ্ধৰ আমি ৰণুৱা/ পৃথিৱীৰ হালোৱা-বনুৱা/হ'ম বিজয়ী আমি দুখীয়া/ক'ত ৰ'বি ধনী এইবাৰ/হুচিয়াৰ হুচিয়াৰ।"

তেওঁ আছিল একাধাৰে নৃত্যশিল্পী, সুৰৰ পূজাৰী, চিত্ৰকৰ, গীতিকাৰ, মঞ্চ আৰু বোলছবিৰ পৰিচালক, অপ্ৰতিদ্বন্দ্বী অভিনেতা, গৱেষক, বিশিষ্ট তাৰ্কিক, ক্ৰীড়াবিদ, ৰাজনীতিবিদ আৰু সমাজ সংস্কাৰক। এজন মানুহৰ গাত যে ইমান গুণৰ সমাৱেশ ঘটিব পাৰে তাৰ উজ্জ্বল দৃষ্টান্ত বিষ্ণুপ্ৰসাদ ৰাভা; এনেকুৱা বহুমুখী প্ৰতিভা আন্তৰ্জাতিক পৰ্যায়ত হয়তো বা বিৰল। ৰাষ্ট্ৰীয় অধ্যাপক ড° সুনীতি কুমাৰ চ্যাটাৰ্জীয়ে যথাৰ্থই ৰাভাদেৱক 'ইনসানে কামিল' উপাধিৰে ভূষিত কৰিছিল। জ্যোতিপ্ৰসাদ আগৰৱালা, হেমাঙ্গ বিশ্বাস আদি মহান ব্যক্তিৰ লগত ভাৰতীয় গণনাট্য সংঘৰ কেইবাগৰাকী আগশাৰীৰ কৰ্মীৰ সান্নিধ্যই বিষ্ণুপ্ৰসাদ ৰাভাৰ শিল্পী আৰু বিদ্ৰোহী সত্তাক নতুন ৰূপ প্ৰদান কৰিছিল। ৰবীন্দ্ৰনাথ ঠাকুৰ, নজৰুল ইছলাম আদি বাংলা সাহিত্য-সংস্কৃতিৰ পূজাৰীৰ সৈতে তেওঁৰ গভীৰ আত্মীয়তা আছিল। তেওঁৰ শিল্পী সত্তাক বিপ্লৱী সত্তাৰ পৰা পৃথক কৰাটো অসম্ভৱ আছিল।

তেজপুৰৰ দৰে এখন ঐতিহাসিক ঠাইৰ পৰা তেওঁ লাভ কৰিছিল ইতিহাস। কিয়নো তেওঁ তেজপুৰ চৰকাৰী হাইস্কুলৰ পৰা ১৯২৬ চনত প্ৰথম বিভাগত মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হয়। ঢাকাত জন্ম গ্ৰহণ কৰা বিষ্ণুপ্ৰসাদ ৰাভা চতুৰ্থ শ্ৰেণীলৈকে ঢাকাৰ

ৰাভাদেৱে। তেওঁ মনে-প্ৰাণে বিশ্বাস কৰিছিল— "এটা জাতিৰ লগত আন এটা জাতিৰ সমন্বয় হ'বলৈ হ'লে পৰস্পৰৰ ভিতৰত উভয়ৰ বিষয়ে জ্ঞান থকা উচিত।"

জনতাৰ শিল্পী ৰাভাদেৱ ভাৰতৰ এজন অন্যতম শ্ৰেষ্ঠ কলাবিদ। মতিমিএগা, কালাচাঁদ, গহৰজান বিবি আদি লোকৰ ওচৰত তেওঁ সঙ্গীত আৰু নৃত্যৰ প্ৰশিক্ষণ লাভ কৰিছিল। ইং ১৯৪০ চনত কাশী বিশ্ববিদ্যালয়ৰ এটা বিশাল ৰাজহুৱা সভাত বিশ্ববিখ্যাত নৃত্যশিল্পী উদয়শঙ্কৰদেৱে আৰু বিশ্ববিদ্যালয়ৰ সেই সময়ৰ উপাচাৰ্য ড° সৰ্ব্বপল্লী ৰাধাকৃষ্ণণে তেওঁক সোণৰ পদক প্ৰদান কৰি 'কলাগুৰু' উপাধিৰে ভূষিত কৰে। তেওঁৰ পৰিচয় হয় ভাৰতৰ সৰ্বশ্ৰেষ্ঠ কলাবিদ হিচাপে।

উদয়শঙ্কৰৰ দৰে এজন ব্যক্তিত্বশালী মানুহে ৰাভাদেৱৰ নৃত্যৰ ওপৰত হিন্দী এখন আলোচনীত মন্তব্য কৰিছিল— "ৰাভাৰ নৃত্যত এনে কিছুমান বৈশিষ্ট্য আছে যিবোৰ তেওঁৰ পৰা শিকিব লাগিব।"

কলাগুৰু অকল বড়ো কিংবা অসমীয়া নাছিল। তেওঁ কেৱল ভাৰতৰও নাছিল, তেওঁ আছিল সমগ্ৰ বিশ্বৰ এজন পথ-প্ৰদৰ্শক। গতিকে, তেওঁক কোন নিৰ্দিষ্ট সংজ্ঞা বা পৰিচয়ৰ মাজত আবদ্ধ কৰি ৰখা আমাৰ মুঠেই উচিত নহ'ব।

ৰাভা ডাঙৰীয়াই ভোগ বিলাসত আসক্ত হৈ জীৱনটো বৃথা কটাব বিচৰা নাছিল। তাৰবাবেই বোধকৰো তেওঁ দেউতাকৰ পৰা পোৱা দুহেজাৰ পাঁচশ বিঘা মাটি ভূমিহীন কৃষকসকলৰ মাজত বিলাই জমিদাৰী প্ৰথাৰ বিলুপ্তি সাধন কৰিবলৈ অহৰহ চেষ্টা চলাইছিল।

এজন মহৎলোকৰ ব্যক্তিত্ব কেৱল ডাঙৰ ডাঙৰ কামৰ মাজেদি প্ৰকাশ নাপায়, সৰু-সুৰা কামবোৰৰও অধিক মাত্ৰা পায়। এই সৰুসুৰা সাধাৰণ কামবোৰ মানুহক যে কিমান মহান কৰে, তাকে আমি ভাষাৰে কেনেকৈ প্ৰকাশ কৰিব পাৰোঁ?

এদিন ৰাভা ডাঙৰীয়াই নলবাৰী অঞ্চলৰ বাছ এখনত একেবাৰে পিছৰ ছিটত বহি ক'ৰবালৈ গৈ আছিল। বাছত কোনোবা এজনে বমি কৰিলে। ফলত, হুলস্থূলীয়া এটা পৰিবেশৰ সৃষ্টি হ'ল। দুই-এজনে কণ্ডাক্টৰকে খং কৰি আছে। ৰাভা ডাঙৰীয়াই তেতিয়া একো নামাতি গাত থকা এড়ি কাপোৰখনেৰে বমিখিনি মচি পেলালে। তাৰ পিছত আকৌ সেই কাপোৰখনকে গাত লৈ আগৰ ঠাইতে বহি বাছত যাব ধৰে।

এই জনদৰদী শিল্পীজনে ১৭ টা ভাষাত অনৰ্গল কথা ক'ব পাৰিছিল, ১৬ টা ভাষাত গীত গাব পাৰিছিল কিন্তু তেওঁৰ জীৱনৰ যি এটা বিশেষ বৈশিষ্ট্য তেওঁক প্ৰাতঃস্মৰণীয় প্ৰবাদপুৰুষত ৰূপান্তৰিত কৰিছিল সেয়া হ'ল— অতীত, বৰ্তমান বা ভৱিষ্যতৰ কথা ভাবি মূৰ নঘমাই যি কাম সন্মুখতে পাইছিল তৎক্ষণাত তাক সম্পন্ন কৰাৰ মনোভাৱ আৰু প্ৰচেষ্টা।

ইং ২০-০৬-১৯৬৯ তাৰিখে তেজপুৰ অসামৰিক চিকিৎসালয়ত মৃত্যুবৰণ কৰি অসমবাসীক কন্দুৱাই থৈ গ'ল। প্ৰবীণ শিক্ষাবিদ, ৰাজনীতিবিদ আৰু এসময়ৰ ভাৰতৰ প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱে 'অসমৰ বাঘ' বুলি তেওঁক অভিহিত কৰিছিল— তেওঁৰ জীৱনলৈ চালে সচাঁকৈ সেয়া অনুভৱ যেন হয়।

কিন্তু দুঃখৰ বিষয় যে এদিনাখন ঘৰৰ চাফাই কামৰ বাবে, যিখন জখলা ব্যৱহাৰ কৰিছিল সেইয়াই কাল হ'ল। জখলাৰ পৰা পিচল খাই ঘৈনীয়েকজনী শেষ নিশ্বাস ত্যাগ কৰিলে। সুখৰ সংসাৰত নিমিষতে শোকৰ বন্যা নামিল। উপায়হীন শোকাকুল গিৰিয়েকে মৃতকৰ শান্তিৰ বাবে যাৱতীয় ধাৰ্মিক ক্ৰিয়া-সংস্কাৰ সমাধা কৰি সেই স্থান, সেই আৱাস ত্যাগ কৰিব ওলাল।

তেনেতে পিচফালৰ পৰা চুবুৰীয়া আইতা এগৰাকীয়ে মাত লগালে — "বোপা, তুমি এতিয়া অকলশৰে চলা ফুৰা কেনেকৈ কৰিবা? ইমান দিন তোমাৰ মৰমৰ পত্নীয়ে ছাঁটোৰ দৰে তোমাৰ লগত থাকি, তোমাক ইফালে সিফালে লৈ গৈছিল, সেইয়া আছিল সঁচাই নজীৰবিহীন আৰু দৃষ্টান্তমূলক।" উত্তৰত যুৱকজনে সকলোকে আচৰিত কৰি উত্তৰ দিলে, "আইতা, মই অন্ধ নহয়; মই অন্ধৰ ভাওহে ধৰিছিলো, যাতে মোৰ মৰমৰ পত্নীয়ে গম নাপায় যে তেওঁৰ কুশ্ৰী মুখখনি মই দেখা পাওঁ। তেওঁৰ এটাই দুঃচিন্তা আছিল মই তেওঁৰ কুৎচ মুখখনি দেখি জানোছা তেওঁক অৱহেলা কৰো। মই বিচৰা নাছিলো যে তেওঁ গম পাওক যে এই কথাটো মই গম পাওঁ।" তেওঁ আৰু ক'বলৈ ধৰিলে — "তেওঁ সত্যটো জানিলে অন্তৰত বৰ দুঃখ পালেহেঁতেন। তেওঁ মোৰ অতি সাদৰী পত্নী, ভাল সাৰথি আছিল। তেওঁ কোনো ধৰণৰ দুঃখ পোৱাটো মই কল্পনাই কৰিব নোৱাৰিছিলো আৰু সেয়েহে মই অন্ধৰ ভাও জুৰিছিলো।

স্বামী বিবেকানন্দৰ এটি বিখ্যাত বাণী হ'ল "তুমি তেতিয়াহে জীৱিত যেতিয়া তুমি আনৰ কাৰণে জীয়াই থাকা। বাকী আনসকল জীয়াই থাকিও মৃত।" কথাষাৰ কিমান তত্ত্বভিত্তিক সেইয়া সহজেই অনুমেয়।

কেতিয়াবা পৰিস্থিতি সাপেক্ষে অন্ধ হোৱাটো ভাল, যাতে আমি অন্যৰ দোষ, ত্ৰুটিবোৰ দেখা নাপাওঁ। তেতিয়া আমাৰ নিজৰ আৰু আনৰো জীৱন হৈ পৰে সহজ-সৰল আৰু সুখ-শান্তিৰ আধাৰ।

তেওঁ আপোনাৰ মা, আপোনাৰ দেউতা। তেওঁৰ ওপৰত জোৰ কৰা যায়। নিজৰ মানুহক এনেকুৱা কথাও কোৱা যায়— নিদিবা কিয়, শালা? নিজৰ মা— এই বোধ থাকিলে এতিয়াই হৈ যাব। তেওঁ তো ধৰ্ম-মাতৃ নহয়, তেওঁ নিজৰেই মা। ব্যাকুল হৈ 'মা'ৰ ওচৰত আবদাৰ কৰাচোন। ব্যাকুল হ'লে তেওঁ শুনিবই শুনিব।

—শ্ৰীৰামকৃষ্ণ পৰমহংসদেৱ

*যিসকলে নিজৰ ব্যস্ততাৰ মাজতো লেখা দি 'বিবেক ভাস্কৰ'ৰ সৌষ্ঠৱ বঢ়ালে আৰু 'বিবেক ভাস্কৰ'ৰ লগত প্ৰত্যক্ষ তথা পৰোক্ষভাৱে জড়িত হৈ আমাক সহায়-সহযোগিতা আৰু অনুপ্ৰাণিত কৰিলে সেই সকলো ব্যক্তি, অনুষ্ঠান-প্ৰতিষ্ঠান আদিলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।*

*যুটীয়া সম্পাদক, বিবেক ভাস্কৰ*

তেওঁ অভিমানী মনেৰে দ্ৰোণাচাৰ্য্যক অভিযোগ কৰিলে যে, গুৰুদেৱে তেওঁ শ্ৰেষ্ঠ ধনুৰ্দ্ধৰৰ শিক্ষা নিদি, অন্য এজনকহে শিক্ষা দিছে। তেতিয়া দ্ৰোণাচাৰ্য্যই ঘটনাস্থলত গৈ দেখিলে যে তেওঁৰে মাটিৰ মূৰ্তিৰ সন্মুখত ধনুৰ্বিদ্যা আয়ত্ত কৰি একলব্যই ইমান দক্ষ ধনুৰ্বিদ হৈছে। দ্ৰোণাচাৰ্য্যৰ ওচৰত বহুত দিন আগতে অস্ত্ৰশিক্ষা ল'ব যাওঁতে তেওঁক প্ৰত্যাখ্যান কৰিছিল। তথাপিও মনে মনে তেওঁ দ্ৰোণাচাৰ্য্যকে গুৰু বুলি গ্ৰহণ কৰিছিল।

কিছুসময় নিশব্দে থাকি তেওঁ গুৰুদক্ষিণা হিচাবে একলব্যক হাতৰ বুঢ়া আঙুলি খুজিলে। বিন্দুমান দ্বিধা নকৰি বুঢ়া আঙুলিটো কাটি একলব্যই দ্ৰোণক গুৰুদক্ষিণা দিলে। এনেদৰে ধনুৰ্বিদ্যাত অৰ্জুনৰ সমান বা তেওঁতকৈ বেছি দক্ষ বীৰ আৰু কোনো নাথাকিল।

## অৰ্জুনৰ শ্ৰেষ্ঠত্ব

শিক্ষাদান শেষ হলত দ্ৰোণে এদিন শিষ্যসকলৰ পৰীক্ষা ল'লে। তেওঁ এটি নকল চৰাই গছৰ ওপৰত থৈ কুমাৰগণক ক'লে— "তোমালোকে ধনুৰ্বাণ লৈ শৰাঘাতত চৰাইটোৰ মুণ্ডটো কাটি পেলোৱাৰ বাবে প্ৰস্তুত থাকা।"

দ্ৰোণে প্ৰথমতে যুধিষ্ঠিৰক ক'লে — "তুমি প্ৰথমে শৰাঘাত কৰা।" যুধিষ্ঠিৰে কাঁড় মাৰিবলৈ সাজু হ'ল। দ্ৰোণে প্ৰশ্ন কৰিলে— "তুমি চৰাইটো দেখিছানে"? "হয়, গুৰুদেৱে।" "পুনৰ ভালকৈ চাই লোৱা; এতিয়া কোৱা কি কি দেখা পাইছা?" — দ্ৰোণে ক'লে।

তেতিয়া যুধিষ্ঠিৰে ক'লে "চৰাই, গছ, আপোনাক আৰু ভ্ৰাতৃসকল আটাইকে মই দেখা পাইছোঁ?" দ্ৰোণ বিৰক্ত হৈ ক'লে "কাষৰ হোৱা, তুমি লক্ষ্যভেদ কৰিব নোৱাৰা।" অন্যান্য কুমাৰসকলকো তেওঁ একে প্ৰশ্নই সুধিলে। অৰ্জুনৰ বাহিৰে সকলোৰে পৰা একে উত্তৰ পালে। অৰ্জুনে ক'লে, "মই চৰাইটোৰ মূৰটোৰ বাহিৰে আৰু একোৱেই দেখা নাই।"

দ্ৰোণ উৎফুল্ল হৈ পুনৰ সুধিলে, "আকৌ কোৱা, তুমি চৰাইটোৰ কি দেখিছা।" অৰ্জুনে ক'লে, "মই চৰাইটোৰ কেৱল মূৰটো দেখিছো।" দ্ৰোণ অতিশয় সন্তুষ্ট হৈ ক'লে, "এইবাৰ শৰ ত্যাগ কৰা।" অৰ্জুনে শৰ এৰা মাত্ৰকে চৰাইটোৰ ছিন্নমস্তক মাটিত পৰিল। দ্ৰোণ আনন্দত অধীৰ হৈ অৰ্জুনক আলিঙ্গন কৰি ভাবিলে, এই অৰ্জুনৰ দ্বাৰাই ৰজা দ্ৰুপদৰ অপমানৰ প্ৰতিশোধ ল'ব।

এদিনাখন সশিষ্য গঙ্গাত গা ধুবৰ সময়ত এটা ভয়ঙ্কৰ ঘৰিয়ালে দ্ৰোণৰ উৰুত কামুৰি ধৰিলে। দ্ৰোণে নিজে আত্মৰক্ষা কৰিব পাৰিলেহেঁতেন, কিন্তু তেনে নকৰি শিষ্যসকলক মাতি ক'লে, "তোমালোকে সোনকালে ঘৰিয়ালটোক মাৰি মোক বচোৱা।" গুৰুৰ আদেশ পোৱা মাত্ৰকে অৰ্জুনে পাঁচডাল তীক্ষ্ণ শৰেৰে ঘৰিয়ালটোক মাৰি পেলালে। শিষ্যসকলৰ মাজত অৰ্জুন যে সৰ্বশ্ৰেষ্ঠ সেই লৈ দ্ৰোণৰ মনত কোনো সংশয় নেথাকিল। তেওঁ সন্তুষ্ট হৈ অৰ্জুনক 'ব্ৰহ্মশিৰ' নামৰ অস্ত্ৰ দান কৰি ক'লে, "এই অস্ত্ৰ কেতিয়াও মানুহৰ প্ৰতি প্ৰয়োগ নকৰিবা। যদি অন্য শত্ৰু তোমাক আক্ৰমণ কৰে, তেতিয়াহে প্ৰয়োগ কৰিবা।"

## দ্ৰোণে অপমানৰ প্ৰতিশোধ ল'লে

ৰজা দ্ৰুপদ তেওঁৰ শৈশৱৰ বন্ধু দ্ৰোণক অপমান কৰিছিল। দ্ৰোণে সেই অপমানৰ প্ৰতিশোধ লোৱাৰ বাবে অৰ্জুনক ক'লে, "পাঞ্চালৰাজ দ্ৰুপদক জীৱন্ত মোৰ ওচৰত ধৰি লৈ আহা।" অৰ্জুনে লগে

কথা বুজিবলৈ কাৰো অসুবিধা নহ'ল। অৰ্জুনে অগ্নিবান মাৰি জুই জ্বলাই আকৌ বৰুণ বান মাৰি বৰষুণ নমাই সেই জুই নুমাই দিলে। আৰু নানাধৰণৰ অস্ত্ৰকৌশল তেওঁ দেখুৱালে। দৰ্শকগণ অৰ্জুনৰ প্ৰশংসাত পঞ্চমুখ। কেৱল দুৰ্যোধন হিংসাত জ্বলি পুৰি মৰিব ধৰিলে।

অস্ত্ৰকৌশল প্ৰদৰ্শনৰ সময় শেষ হৈ আহিছে, তেনে সময়ত ৰঙ্গভূমিত প্ৰৱেশ কৰিলে এজন দীৰ্ঘকায় সুদৰ্শন তৰুণ। এওঁ সূত অধিৰথৰ পুত্ৰ কৰ্ণ — আচল এওঁ সূৰ্য্যৰ বৰত প্ৰাপ্ত কুন্তীৰ জ্যেষ্ঠ পুত্ৰ। আহিয়েই তেওঁ বজ্ৰৰ দৰে গৰ্জন কৰি অৰ্জুনক ক'লে "তুমি যি যি কৰিছা, মই সেইবোৰ সকলো কৰি দেখুৱাম।" এই বুলি কৈ তেওঁ অৰ্জুনে যি যি অস্ত্ৰকৌশল দেখুৱাইছিল সেই সকলোবোৰ কৰি দেখুৱালে। দৰ্শকগণ মুগ্ধ হ'ল। দুৰ্যোধনে আনন্দত কৰ্ণক আলিঙ্গন কৰি ক'লে "হে বীৰ, তোমাক আদৰণি জনালো। তুমি এই কুৰুৰাজ্য ইচ্ছামতে ভোগ কৰা।" কৰ্ণই ক'লে, "মই তোমাৰ মিত্ৰতা বিচাৰো আৰু অৰ্জুনৰ লগত দ্বন্দযুদ্ধ কৰিব বিচাৰো।" অৰ্জুন আৰু কৰ্ণই মুখামুখি থিয় হৈ পৰস্পৰক কটু কথা ক'বলৈ ধৰিলে।

কৰ্ণক দেখি কুন্তীয়ে মূৰ্চ্ছা গ'ল। দাসীসকলে সেৱা যত্ন কৰি মূৰ্চ্ছা ভাঙিলে। তেওঁৰ দুই পুত্ৰ এজনে আনজনৰ লগত যুদ্ধ কৰা দেখি কুন্তীৰ প্ৰাণ বিষাদত কান্দি উঠিল। কৃপাচাৰ্য দুই যোদ্ধাৰ মাজত আহি কৰ্ণক ক'লে "অৰ্জুন হ'ল ৰাজকুমাৰ, এওঁ অজ্ঞাত পৰিচয় যোদ্ধাৰ লগত কেনেকৈ যুদ্ধ কৰিব? তুমি তোমাৰ বংশ পৰিচয় দিয়া। তোমাৰ পিতা-মাতা কোন?" এই কথা শুনি কৰ্ণই লাজত মুখ তল কৰিলে। তেতিয়া দুৰ্যোধনে ক'লে, "এই অৰ্জুন যদি ৰজাৰ বাহিৰে আন কাৰোবাৰ লগত যুদ্ধ কৰিব নিবিচাৰে, মই কৰ্ণক এতিয়াই অঙ্গৰাজ্যত অভিষিক্ত কৰিছো। দুৰ্যোধনে তেতিয়াই সোণৰ আসন, মুকুট প্ৰদান কৰি কৰ্ণক অঙ্গৰাজ পদত অভিষিক্ত কৰিলে। এনে সময়তে সূৰ্যাস্ত হ'ল। দুৰ্যোধনে কৰ্ণৰ হাতত ধৰি ৰঙ্গভূমিৰ পৰা গুছি গ'ল।

যোল্ল বছৰ বয়সত কৰ্ণই তেওঁৰ পালক পিতা-মাতাৰ অনুমতি লৈ গুৰুৰ ওচৰত ধনুৰ্বিদ্যা শিকিব যায়। প্ৰথমে দ্ৰোণৰ ওচৰত যাওঁতে, কৰ্ণ সূতপুত্ৰ বুলি দ্ৰোণে তেওঁক শিষ্যৰূপে গ্ৰহণ কৰিবলৈ মান্তি হোৱা নাছিল। ইয়াৰ পিচত কৰ্ণই পৰশুৰামৰ ওচৰত গৈ নিজকে ব্ৰাহ্মণ বুলি পৰিচয় দিলে। পৰশুৰামে কৰ্ণক তেওঁৰ শিষ্য কৰি ল'লে। অস্ত্ৰ শিক্ষাত কৰ্ণৰ আগ্ৰহ আৰু অধ্যৱসায় দেখি পৰশুৰামে সন্তুষ্ট হৈ তেওঁক ব্ৰহ্মাস্ত্ৰসহ অন্যান্য অস্ত্ৰৰ প্ৰয়োগ শিকালে।

একদিন কৰ্ণৰ উৰুত মূৰটো থৈ পৰশুৰামে নিদ্ৰা গ'ল। তেনেকুৱা সময়ত এটা পোকে (কীট) কৰ্ণৰ উৰু ভেদ কৰি সোমাই গ'ল। প্ৰচুৰ ৰক্তপাত হ'ব ধৰিলে। কৰ্ণই তীব্ৰ যন্ত্ৰণা অনুভৱ কৰিলেও, গুৰুৰ টোপনি যাতে নাভাঙে সেই ভয়ত নিশ্চল হৈ বহি থাকিল। তেজৰ স্পৰ্শত পৰশুৰামৰ টোপনি ভাগিল। কৰ্ণৰ সহিষ্ণুতা দেখি তেওঁ ক'লে, "ব্ৰাহ্মণৰ সহ্যশক্তি ইমান বেছি নহয়। সঁচাকৈ কোৱা তুমি কোন?" কৰ্ণই স্বীকাৰ কৰিলে যে তেওঁ ব্ৰাহ্মণ নহয়, সাৰথিৰ পুত্ৰ। ক্ৰুদ্ধ পৰশুৰামে কৰ্ণক অভিশাপ দি ক'লে, "তুমি মিছা পৰিচয় দি অস্ত্ৰশিক্ষা ল'লা, সেয়েহে সময়কালত ব্ৰহ্মাস্ত্ৰ প্ৰয়োগৰ মন্ত্ৰ তুমি পাহৰি যাবা।" কৰ্ণ দুৰ্যোধনৰ ঘনিষ্ঠ বন্ধু হ'ল, আৰু তেওঁলোকৰ এই মিত্ৰতা কৰি মৃত্যু পৰ্যন্ত বজাই আছিল।

# জননী পাৰ্বতী আৰু পুত্ৰ গণেশ




এদিনাখন পাৰ্বতী আৰু শিৱ কৈলাশত বহি আছে। ওচৰতেই আছে তেওঁলোকৰ দুই পুত্ৰ কাৰ্ত্তিক আৰু গণেশ। পাৰ্বতী তেওঁলোকক মাতিলে। তেওঁৰ নিজৰ ডিঙিৰ মহামূল্যৱান ৰত্নমালাডাল দেখুৱাই গণেশ আৰু কাৰ্ত্তিকক ক'লে, "তোমালোক দুয়োৰে মাজত যিয়ে সমগ্ৰ পৃথিৱী পৰিভ্ৰমণ কৰি আগতে আহিব পাৰিব মই তেওঁকে এই ৰত্নমালা পুৰস্কাৰ দিম।"
মাৰ কথা শুনি কাৰ্ত্তিকৰ খুব আনন্দ হ'ল। তেওঁ ভাবিলে, "পেটুৱা দাদাই মোৰ নিগনিৰ পিঠিত উঠি কিমান সোনকালেই বা যাব পাৰিব। মই বহুত আগতেই মোৰ বাহন ময়ূৰ চৰাইত উঠি পৃথিৱী ভ্ৰমণ কৰি উভতিম।"
"সেই মালা মোৰেই হ'ল"— এই ভাব মনত লৈ দাদাকৰ ফালে বিদ্ৰুপভৰা চাৱনীৰে চাই হাঁহি হাঁহি তৎক্ষণাত ময়ূৰৰ পিঠিত উঠি পৃথিৱী ভ্ৰমণত ৰাওনা হ'ল কাৰ্ত্তিকে।

## গুৱাহাটী আশ্ৰমৰ সংবাদ

## স্বামী বিবেকানন্দৰ চিকাগো বক্তৃতাৰ ১২৫ বছৰ উদ্‌যাপনৰ সংবাদ

চিকাগো ধৰ্মমহাসন্মিলনত স্বামী বিবেকানন্দৰ বিশ্ববিজয়কাৰী বক্তৃতাসমূহৰ ১২৫ তম্ বৰ্ষ উদ্‌যাপনৰ বাবে ৰামকৃষ্ণ মিছন আশ্ৰম, গুৱাহাটীৰ ফালৰ পৰা বছৰজোৰা বিভিন্ন কাৰ্যসূচীৰ আঁচনি লোৱা হৈছিল। তাৰেই এক অঙ্গ হিচাপে যোৱা ১১ চেপ্তেম্বৰ, ২০১৯, বুধবাৰত আশ্ৰমৰ বিবেকানন্দ সভাগৃহত আবেলি ৫ বজাত এক ৰাজহুৱা সভাৰ




আয়োজন কৰা হয়। কৈলাশহৰ ৰামকৃষ্ণ মিছন আশ্ৰমৰ অধ্যক্ষ স্বামী ত্যাগীবৰানন্দজী মহাৰাজ, গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মাননীয় বিচাৰপতি শ্ৰী কটিশ্বৰ সিং ডাঙৰীয়া আৰু লেখক, সমাজসেৱক তথা 'গীতবিতান' ৰবীন্দ্ৰসঙ্গীত চৰ্চাকেন্দ্ৰৰ সভাপতি শ্ৰীখগেন দাস মহাশয়ে স্বামী বিবেকানন্দৰ চিন্তা, আদৰ্শ আৰু প্ৰাসঙ্গিকতাৰ ওপৰত সাৰুৱা বক্তৃতা আগবঢ়োৱাৰ লগতে বিভিন্ন প্ৰতিযোগিতাত বঁটা বিজেতাসকলক পুৰস্কাৰ প্ৰদান কৰে। প্ৰসঙ্গত উল্লেখ্য যে স্বামীজীৰ চিকাগো বক্তৃতাৰ ১২৫তম্ বৰ্ষ উপলক্ষে যোৱা ৮ চেপ্তেম্বৰ, ২০১৯ দেওবাৰে আশ্ৰম প্ৰাঙ্গণত আয়োজিত সঙ্গীত, কুইজ, বক্তৃতা, অঙ্কণ আৰু প্ৰবন্ধ ৰচনা প্ৰতিযোগিতাত গুৱাহাটীৰ ৩৫ খন বিদ্যালয়ৰ প্ৰায় ২৩০ জন ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিছিল।

১১ তাৰিখৰ উক্ত অনুষ্ঠানত মঞ্চত আৰু উপস্থিত আছিল আশ্ৰমৰ সম্পাদক স্বামী আত্মশুদ্ধানন্দজী মহাৰাজৰ লগতে অনুষ্ঠানৰ আঁত ধৰোঁতা ডাঃ ভৱেশ কুমাৰ দাস, গুৱাহাটী ৰাজ্যিক কৰ্কট চিকিৎসালয়ৰ শল্য চিকিৎসা বিভাগৰ জ্যেষ্ঠ অধ্যাপক, অনুষ্ঠানত শলাগৰ শৰাই আগবঢ়োতা আৰু প্ৰতিযোগিতাবোৰৰ পৰিচালক স্বামী বিক্ৰমানন্দজী মহাৰাজে, সমাপ্তি সংগীত পৰিৱেশনকাৰী শ্ৰীমহেশ চন্দ্ৰ বৰুৱা।

### শ্ৰীমন্ত শঙ্কৰদেৰৰ তিথি উদ্‌যাপন

ৰামকৃষ্ণ মিছন আশ্ৰম, গুৱাহাটীত প্ৰতি বছৰৰ দৰে এইবেলিও সমাৰোহৰে শ্ৰীমন্ত শঙ্কৰদেৰৰ তিৰোভাৱ তিথি যোৱা ১ ছেপ্টেম্বৰ, ২০১৯ তাৰিখে পালন কৰা হয়। এই উপলক্ষে গুৰু আসন সজাই তাৰ সন্মুখত প্ৰথমতে বন্তি, প্ৰসাদ, শৰাই আদি নিবেদন কৰা হয়। ছাত্ৰাবাসৰ ছাত্ৰসকলে বৰগীত গোৱাৰ লগতে গুৰুজনাৰ জীৱনী আৰু বাণী সম্পৰ্কে পাঠ কৰে শ্ৰীমহেশ চন্দ্ৰ বৰুৱা দেৱে।

### বানপানীত সাহায্যৰ সংবাদ

বিগত জুলাই মাহত অসমত হোৱা প্ৰলয়ংকাৰী বানত আলাই-আথানি হোৱা গোৰেশ্বৰ, তামুলপুৰ, পশ্চিম চন্দ্ৰবাৰী (বাক্সা); মঙ্গলদৈ,

## দীক্ষা সংবাদ

ৰামকৃষ্ণ মঠ আৰু ৰামকৃষ্ণ মিছনৰ সহঃ সংঘাধ্যক্ষ শ্ৰীমৎ স্বামী শিৰময়ানন্দজী মহাৰাজে যোৱা ২১ আগষ্ট ২০১৯ তাৰিখে গুৱাহাটী ৰামকৃষ্ণ মিছন আশ্ৰমত পদাৰ্পণ কৰে আৰু ২৪ আগষ্ট



তাৰিখলৈ আশ্ৰমতে থাকে। পূজ্যপাদ মহাৰাজে ২২ আগষ্ট আৰু ২৩ আগষ্ট তাৰিখে প্ৰায় দুশ গৰাকী ভক্তক দীক্ষা প্ৰদান কৰি কৃতাৰ্থ কৰে। বহুতো ভক্তই আশ্ৰমলৈ আহি পূজ্যপাদ মহাৰাজক প্ৰণাম নিবেদন কৰি আশীৰ্বাদ লাভ কৰে।

## ছাত্ৰাৱাস

গুৱাহাটী ৰামকৃষ্ণ মিছনত ৩২ জন আবাসী ছাত্ৰৰ ছাত্ৰাৱাস ১৯৮৮ চনৰ ১২ জানুৱাৰীৰ পৰা চলি আহিছে। কেন্দ্ৰীয় চৰকাৰৰ আংশিক অনুদান আৰু আশ্ৰমৰ ব্যয় সাপেক্ষে এয়া চলাই থকা হৈছে। পঢ়া-শুনাৰ লগতে ছাত্ৰসকলৰ চৰিত্ৰ গঠনৰ বাবে বিশেষ যত্ন লোৱা হয়। দৈনিক খেল-ধেমালি আৰু পুৱা-সন্ধিয়া মন্দিৰত প্ৰাৰ্থনা কৰাতো ছাত্ৰসকলৰ বাবে বাধ্যতামূলক।

## মাতৃত্ব আৰু শিশু পৰিকল্পনা সংবাদ

গুৱাহাটী ৰামকৃষ্ণ মিছনৰ ব্যৱস্থাপনাত আৰু বৰগাঁও শ্ৰীৰামকৃষ্ণ সেৱা সমিতিৰ সহযোগিতাত বৰগাঁও, পলাগুৰি, কুমাৰবৰি, ভেলুৱাবস্তি, নেলি আদি ঠাইৰ তিৰা জনজাতীয়, চাহ বাগানৰ কৰ্মী আৰু অন্যান্য জনগোষ্ঠী অধ্যুষিত অঞ্চলৰ সন্তান সম্ভৱা মহিলাসকলক নিয়মীয়াভাবে বিনামূলীয়া ডাক্তৰী পৰীক্ষাৰ লগতে প্ৰয়োজনীয় ঔষধ, ভিটামিন, কেলছিয়াম, ফলৰ ৰস. ফলমূল আদি বিতৰণ কৰা হয়। প্ৰতিটো স্বাস্থ্য শিবিৰত প্ৰায় ৪০-৫০ গৰাকীয়ে এই সেৱাত উপকৃত হৈ থাকে।

## গদাধৰ অভ্যুদয় প্ৰকল্প

আশ্ৰমৰ ওচৰ-পাজৰৰ পিছপৰা আৰু আৰ্থিকভাৱে স্বচ্ছল নোহোৱা অঞ্চলৰ প্ৰায় ১০০ জন প্ৰথম শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈকে বিভিন্ন বিদ্যালয়ৰ ছাত্ৰৰ শিক্ষা, স্বাস্থ্য, পুষ্টি আৰু নৈতিক উন্নয়নৰ দায়িত্ব লোৱা হৈছে আশ্ৰমৰ ফালৰ পৰা। সোমবাৰৰ পৰা শুক্ৰবাৰলৈ ৰাতিপুৱা ৬:৩০ বজাৰ পৰা ৮:০০ বজালৈ তেওঁলোকক বিভিন্ন বিষয়ত পাঠদান কৰা হয় আৰু শনিবাৰ, দেওবাৰে যথাক্ৰমে সংগীত, আবৃত্তি আদি সাংস্কৃতিক শিক্ষাদানৰ লগতে যোগাসনৰ অনুশীলনৰো ব্যৱস্থা আছে। প্ৰতিদিনে পাঠ শেষ হোৱাৰ পাছত পুষ্টিকৰ প্ৰাতৰাশ দিয়া হয়। নিয়মিত স্বাস্থ্য পৰীক্ষা, বেমাৰ-আজাৰৰ চিকিৎসা আদিৰ সকলো সেৱাই বিনামূলীয়াকৈ আগবঢ়োৱাৰ জৰিয়তে ৰামকৃষ্ণ মিছন আশ্ৰম, গুৱাহাটী সমাজৰ উন্নতি সাধনত নিযুক্ত।

একেদৰে ‘নিউ ইণ্ডিয়া এচিওৰেঞ্চ কোম্পানী লিমিটেড’ৰ (NIACL) আৰ্থিক সহায়তাত বৰগাঁও ৰামকৃষ্ণ সেৱা সমিতি প্ৰাঙ্গণত, গুৱাহাটী ৰামকৃষ্ণ মিছনৰ ব্যৱস্থাপনাত সেই অঞ্চলৰ দুখীয়া আৰু পিছপৰা প্ৰায় ৫০-৬০ গৰাকী ছাত্ৰ-ছাত্ৰীক শিক্ষা, স্বাস্থ্য, পুষ্টি আদি সেৱা আগবঢ়োৱা হয়।




Greenwood Resort

(A Unit of Greenwood Resorts Pvt. Ltd.)

G. S. Road, Madhab Nagar, Khanapara, Guwahati-781 022, Assam (India)
e-mail : info@greenwoodresort.in, greenwoodresort@yahoo.in
Phone : +91 92070 42326 / 92070 42327